সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...

Govt. of Assam Approved

Postal Redg. No. GH- 098/ 2015 - 17

গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

৩০ বছৰ, ২১ সংখ্যা, ১২জেঠ , ৰবিবাৰ, ১৪৩১ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪

RNI No. 53883/94. GHY--781025. Vol. 30: Issue No. 21 Date Of Publication - 26 May 2024 Rs.10.00/-

## পঞ্চম পৰ্যায়ৰ নিৰ্বাচনতে বিজেপিয়ে দেশত চৰকাৰ গঠন কৰিব পৰা হৈছেঃ ড° হিমন্ত বিশ্ব শৰ্মা

ৰঙিলী বাৰ্ত্তাসেৱা- দেশত লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ৰ ভোটগ্ৰহণ চলি থকাৰ মাজতে বিজেপিয়ে দেশত পুনৰ চৰকাৰ গঠন কৰাটো নিশ্চিত হৈছে বুলি মন্তব্য কৰিছে অসমৰ মুখ্যমন্ত্ৰী তথা বিজেপিৰ অন্যতম ষ্টাৰ কেম্পেইনাৰ ড° হিমন্ত বিশ্ব শৰ্মাই। পঞ্চম পৰ্যায়ৰ নিৰ্বাচনতে বিজেপিয়ে দেশত চৰকাৰ গঠন কৰিব পৰা হৈছে। চৰকাৰ গঠনৰ বাবে প্ৰয়োজনীয় ২৭২খন আসন পঞ্চম পৰ্যায়ৰ নিৰ্বাচনলৈকে পাই গৈছে। পাটনাত সংবাদ মাধ্যমৰ আগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে যোগেন্দ্ৰ যাদৱেই হওক, শশী থাৰুৰেই হওক, সকলোৱে এইবাৰ লোকসভা নিৰ্বাচনত বিজেপিক ২৭২খন আসন দি আছে। সকলোৱে কেৱল বিজেপিয়ে এইবাৰ ৩০০খন আসন নাপাব, ৪০০খন আসন নাপাব বুলি কৈছে। কিন্তু কোনেও বিজেপিয়ে ২৭২খন আসন নাপাব বুলি কোৱা নাই। অথচ দেশত চৰকাৰ গঠন কৰিবলৈ হ'লে ২৭২খন আসনহে লাগে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিৰোধীক ৪০০, ৩০০, ৫০০ৰ অংকত ফচাই দিলে আৰু তেওঁলোকেও পাহৰি গ'ল চৰকাৰ গঠন কৰিবলৈ যে ২৭২খন আসনহে লাগে। শশী থাৰুৰে ইতিমধ্যে বিজেপিক ২৯৯খন আসন দি আছে। আচলতে চৰকাৰ গঠন কৰিবলৈ প্ৰয়োজন হোৱা ২৭২খন আসন বিজেপিয়ে




পঞ্চম পৰ্যায়ব নিৰ্বাচনতে পাই গ'ল। ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ নিৰ্বাচন আসনৰ সংখ্যা ৪০০লৈ যোৱাৰ পৰ্যায়ৰহে নিৰ্বাচন। বিহাৰত এইবাৰ বিজেপিয়ে ৰেকৰ্ড ভংগ কৰি আসন লাভ কৰিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে এতিয়া বিহাৰৰ পৰা কেন্দ্ৰীয় চৰকাৰত কোনে মন্ত্ৰিত্ব লাভ কৰিব তাৰ চিন্তা কৰক। হিন্দুৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে দেশত হিন্দু জাগ্ৰত হৈছে। সংবাদ মাধ্যমক অনুৰোধ জনাই তেওঁ কয় যে জাগ্ৰত হোৱা হিন্দু ঠাণ্ডা নকৰিব। স্বাধীনতাৰ পিছত ধৰ্মনিৰপেক্ষতা পশ্চিমীয়া সংজ্ঞাই দেশক ধ্বংস কৰিলে। অনুপ্ৰৱেশকাৰী আহিল, ৰহিংগ্যা আহিল, দেশৰ জনগাঁথনি সলনি হ'ল। সেয়ে এবাৰ হিন্দু হ'বলৈ দিয়ক। কিছুবছৰ হিন্দুক জাগিবলৈ দিয়ক। এতিয়া সমগ্ৰ দেশত হিন্দুসকল জাগি উঠিছে। হিন্দুৰ এই জাগৰণে আগন্তুক সময়ত বিজেপিৰ ভেটি অধিক সুদৃঢ় কৰিব। সেইদৰে ৰাহুল গান্ধী, তেজস্বী যাদৱক ক্ষুৰধাৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে আমাৰ দেশৰ সংবিধান অনুসৰি দেশত ইউচিচি প্ৰৱৰ্তন হ'ব লাগে। ৰাহুল গান্ধী তেজস্বী যাদৱে ৰঙা সংবিধান পঢ়ে। ৰাহুল গান্ধী, তেজস্বী যাদৱে পাৰ্ছনেল ল'ৰ কথা

(দহ পৃষ্ঠাত চাওক)

## বিদ্যুৎ সংকটৰ গ্ৰাসত অসম



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰচণ্ড গ্ৰীষ্মপ্ৰৱাহে দেশৰ বিভিন্ন প্ৰান্তত ভয়াৱহ সংকট কঢ়িয়াই অনাৰ সময়তে উৎকট গৰমে অসমকো দহিছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত উৎকট গৰমে স্বাভাৱিক জীৱনযাত্ৰা একপ্ৰকাৰ ব্যাহত কৰি তুলিছে। পাৰাস্তম্ভ ঊৰ্ধ্বমুখী হোৱাৰ লগে লগে ৰাজ্যজুৰি বাঢ়িছে বিদ্যুতৰ চাহিদাও। সাধাৰণ ফেন দূৰৰ কথা, শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰয়ো যেন ৰাইজক সকাহ দিব পৰা নাই উৎকট গৰমৰ যন্ত্ৰণাৰ পৰা। বিগত কিছুদিন ধৰি গৰম বাঢ়ি যোৱাৰ লগে লগে ৰাজ্যৰ ঠায়ে ঠায়ে বাঢ়িছে লোডশ্বেডিঙৰ প্ৰকোপ। গ্ৰামাঞ্চলতো বাদেই, গুৱাহাটী মহানগৰীতো সঘন হোৱা বিদ্যুৎ কৰ্তনত জীয়াতু ভুগিবলগীয়া হৈছে জনসাধাৰণে। একপ্ৰকাৰ ক'বলৈ হ'লে গৰম বৃদ্ধিৰ বাবে প্ৰচণ্ড বিদ্যুৎ সংকটৰ গ্ৰাসত পৰিবলগীয়া হৈছে অসম। ইয়াৰ পাছতো বিদ্যুতৰ বৰ্ধিত চাহিদা পূৰণ কৰাৰ ক্ষেত্ৰতো সফল হ'ব পৰা নাই ৰাজ্যৰ শক্তি বিভাগ। বিভাগীয় সূত্ৰৰ পৰা জানিব পৰা মতে, উৎকট গৰমৰ বাবে পিক আৱাৰত বিদ্যুতৰ প্ৰয়োজনীয়তা প্ৰতিদিনে ৩, ০০০ মেগাৱাটৰ পৰা প্ৰায় ৩, ৫০০ মেগাৱাটলৈ বৃদ্ধি পাইছে। বিগত বৰ্ষত কিছুদিনৰ বাবে গ্ৰীষ্মপ্ৰৱাহে দহিছিল অসমক কিন্তু সেই সময়ছোৱাত পিক আৱাৰত প্ৰতিদিনে বিদ্যুতৰ চাহিদা প্ৰায় ২, ২০০ মেগাৱাটৰ পৰা ২, ৫০০ মেগাৱাটলৈ বৃদ্ধি পাইছিল। কিন্তু এই দৃশ্যপট এইবাৰ সলনি হৈছে। কিন্তু এইবাৰ পাৰাস্তম্ভ গুৱাহাটী মহানগৰীত প্ৰায় ৪০.৩ ডিগ্ৰীৰ ঘৰ চুইছেগৈ। যদিও ৪০ ডিগ্ৰী উষ্ণতা হৈছে তথাপি কিন্তু গৰমৰ প্ৰভাৱ প্ৰায় ৫০ ডিগ্ৰী চেন্টিগ্ৰেটৰ দৰেই অনুভৱ কৰিছে ৰাইজে। গতিকে স্বাভাৱিকতে বিদ্যুতৰ চাহিদাও পূৰ্বৰ তুলনাত ৫০০-১, ০০০ মেগাৱাটলৈ পিক

(দহ পৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286

Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।

Do follow us on Facebook, Twitter and Instagram as - rongilibarta

## পশ্চিমবংগত বিজেপিৰ প্ৰাৰ্থীক আক্ৰমণ



ৰঙিলী বাৰ্ত্তাসেৱা- যোৱাকালি লোকসভা নিৰ্বাচনৰ ষষ্ঠ পৰ্যায়ত দেশৰ ৫৮টা সংসদীয় সমষ্টিত ভোটগ্ৰহণ হয়। পশ্চিমবংগত বিক্ষিপ্ত হিংসাক বাদে বাকী পাঁচ ৰাজ্য/ কেন্দ্ৰীয়শাসিত অঞ্চলত প্ৰায় শান্তিপূৰ্ণভাৱে ভোটগ্ৰহণৰ সামৰণি পৰে। কঠোৰ নিৰাপত্তা বেষ্টনীৰ মাজত পুৱাৰে পৰা আৰম্ভ হোৱা ভোটগ্ৰহণ প্ৰচণ্ড গ্ৰীষ্মপ্ৰৱাহৰ বাবে লেহেমীয়া আছিল যদিও পিছলৈ কিছু গতি লয়। অৱশ্যে আশানুৰূপভাৱে বিগত বৰ্ষৰ তুলনাত ভোটৰ হাৰ বৃদ্ধি নাপালে। ষষ্ঠ পৰ্যায়ত ৰাজধানী দিল্লীৰ আটাইকেইটা সমষ্টি মুঠ ৭টা সমষ্টিত পুৱাৰে পৰা ভোটগ্ৰহণ আৰম্ভ হয়। ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু, কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমাৰ এছ জয়শংকৰ, নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰকে ধৰি শীৰ্ষ ৰাজনীতিক তথা চেলিব্ৰিটীয়ে নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰে। কংগ্ৰেছৰ প্ৰাক্তন সভানেত্ৰী ছোনিয়া গান্ধী, প্ৰাক্তন সভাপতি ৰাহুল গান্ধী, দলটোৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভদ্ৰা, ক্ৰিকেটাৰ, ৰাজনীতিক গৌতম গম্ভীৰ, দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱাল,

(দহ পৃষ্ঠাত চাওক)

# কাজিৰঙাত বিশ্ব জৈৱ বৈচিত্ৰ দিৱস উদযাপন



ৰঙিলী বাৰ্ত্তাসেৱা- কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষ, কাজিৰঙা আঞ্চলিক সাংবাদিক সন্থা আৰু কৰবেট ফাউণ্ডেচনৰ যৌথ উদ্যোগত ৰাষ্ট্ৰীয় উদ্যান খনৰ কঁহৰা বনাঞ্চলৰ পৰমানন্দ লাহন প্ৰেক্ষাগৃহত বিশ্ব জৈৱ বৈচিত্ৰ্য দিৱস পালন কৰা হয়। দিনজোৰা এই কাৰ্যসূচীৰ আৰম্ভণীতে ৰাষ্ট্ৰীয় উদ্যানখনৰ সঞ্চালক ড° সোণালী ঘোষে আদৰণী ভাষণ প্ৰদান কৰি ছাত্ৰ - ছাত্ৰী সকলৰ লগত মত বিনিময় কৰে। জৈৱ বৈচিত্ৰতাৰ সম্পৰ্কে আলোচনা কৰে। পৰৱৰ্তী সময়ত কাজিৰঙাৰ কাষৰীয় বিদ্যালয় সমুহৰ পৰা অহা ছাত্ৰ ছাত্ৰী সকলৰ মাজত চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাৰ অনুষ্ঠিত কৰা হয়। বিশ্ব জৈৱ বৈচিত্ৰ দিৱসৰ উপলক্ষে আয়োজিত বিশেষ অনুষ্ঠানত সমল ব্যক্তি হিচাবে অংশ গ্ৰহণ কৰি পৰিৱেশ কৰ্মী উত্তম শইকীয়াই সচিত্ৰ উপস্থাপনৰ জড়িয়তে ছাত্ৰ ছাত্ৰী সকলক জৈৱ বৈচিত্ৰতা, ইয়াৰ প্ৰকাৰ, গুৰুত্ব আদিৰ বিষয়ে অৱগত কৰে। অনুষ্ঠানত কাজিৰঙা আঞ্চলিক সাংবাদিক সংস্থাৰ হে জেষ্ঠ সাংবাদিক নীলপদ্ম শৰ্মা, ৰঞ্জিত ৰাজক, বিতোপন বৰা, মনোজ প্ৰতীম শইকীয়া, ইমৰাণ হুছেইনৰ লগতে কাজিৰঙাৰ সংবাদ মাধ্যমৰ সদস্য সকল, কঁহৰাৰ বনাঞ্চলিক বিষয়া বিভূতি ৰঞ্জন গগৈ, কৰবেট ফাইণ্ডেচনৰ উপ- সঞ্চালক ডা° নবীন পাণ্ডেৰ লগতে বিদ্যালয় শিক্ষক- শিক্ষয়িত্ৰী সকলৰ লগতে কৰবেট ফাউণ্ডেচনৰ কৰ্মকৰ্তা সকলো উপস্থিত থাকে। কৰবেট ফাউণ্ডেচনৰ সমন্বয়ক দিব্যজ্যোতি শইকীয়াই আঁত ধৰা অনুষ্ঠানতে বিশ্ব জৈৱ বৈচিত্যতা দিৱস উপলক্ষে আয়োজন কৰা চিত্ৰাংকন আৰু কুইজ প্ৰতিযোগিতাত স্থান লাভ কৰা ছাত্ৰ ছাত্ৰী সকলক মানপত্ৰ আৰু উপহাৰৰ টোপোলা প্ৰদান কৰা হয়।

# কাঁনত প্ৰদৰ্শিত কুকি, বিশ্বব্যাপী দৰ্শকৰ পৰা প্ৰশংসা লাভ



ৰঙিলী বাৰ্ত্তাসেৱা- এগৰাকী অসমীয়া প্ৰযোজকৰ দ্বাৰা অসমত নিৰ্মিত বলীউড হিন্দী চলচ্চিত্ৰ "কুকি" সন্মানীয় কাঁন চলচ্চিত্ৰ মহোৎসৱ (ডু ফিল্ম দে কাঁন)ত প্ৰদৰ্শিত হয়। মঙলবাৰে স্থানীয় সময় অনুসৰি নিশা ১১.৩০ বজাত পেলেই এইচ প্ৰেক্ষাগৃহত এই প্ৰদৰ্শনী অনুষ্ঠিত হয়। বিভিন্ন দেশৰ চলচ্চিত্ৰ অনুৰাগী আৰু বিতৰকে ছবিখন উপভোগ কৰি প্ৰশংসাৰে ওপচাই পেলায়। ড° জুনমনি দেৱী খাউণ্ড (প্ৰযোজক), আৰু ঋতিশা খাউণ্ড (অভিনেত্ৰী), এই উৎসৱত অংশগ্ৰহণ কৰি দৰ্শকৰ সতে মত-বিনিময় কৰে। উল্লেখযোগ্য যে, ফ্ৰান্স, মৰক্কো আৰু আন কেইবাখনো দেশে নিজ নিজ ৰাষ্ট্ৰত "কুকি" মুকলি কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। ইয়াৰোপৰি, ঋতিষা খাউণ্ডৰ ব্যতিক্ৰমী অভিনয়ক প্ৰদৰ্শনীত উপস্থিত থকা বহুকেইগৰাকী পৰিচালক আৰু চলচ্চিত্ৰ নিৰ্মাতাই প্ৰশংসা কৰে। " মই নেদেখাজনক ধন্যবাদ জনাইছোঁ যে কুকিয়ে মোৰ ৰাজ্য আৰু দেশত ইমান মৰম লাভ কৰাৰ লগতে বিশ্বব্যাপী দৰ্শকৰ পৰাও সমানে শলাগ লাভ কৰিবলৈ সক্ষম হৈছে। মই আমাৰ পৰিচালক প্ৰণৱ জে ডেকা, সমূহ অভিনেতা আৰু সমগ্ৰ দলটোক ধন্যবাদ জনাইছোঁ যিয়ে মোক এই যাত্ৰাত পথ প্ৰদৰ্শন কৰিছিল আৰু মোৰ বাবে কামবোৰ সহজ কৰি তুলিছিল।" ২৮ জুনত সমগ্ৰ ভাৰতৰ ১০০টা চিনেমা হলত মুক্তি পাব কুকি। ছবিখনে ধৰ্ষণৰ বলি হোৱা এগৰাকী ভুক্তভোগীৰ কঠিন যাত্ৰা আৰু তেওঁ পাৰ কৰিবলগা হোৱা বিভিন্ন মানসিক সংঘাতৰ কাহিনী বৰ্ণনা কৰি এক স্পৰ্শকাতৰ বিষয়বস্তু সকলোৰে আগত তুলি ধৰিছে। ছবিখনে মুক্তিৰ বাবে প্ৰস্তুতি চলোৱাৰ সমান্তৰালভাৱে দৰ্শক আৰু অনুৰাগীৰ মাজত প্ৰত্যাশা আৰু উত্তেজনা দেখা গৈছে। আশা কৰা হৈছে যে এই প্ৰচেষ্টাই কেৱল মনোৰঞ্জন দিয়াই নহয়, বৰঞ্চ উঠি অহা অসমীয়া চলচ্চিত্ৰ উদ্যোগটোক আঞ্চলিক আৰু ৰাষ্ট্ৰীয় উভয় ক্ষেত্ৰতেই সফলতা আৰু স্বীকৃতিৰ বৃহত্তৰ উচ্চতাৰ দিশে আগুৱাই নিয়াত এক অনুঘটক হিচাপেও কাম কৰিব।

# ৰাজ্যৰ প্ৰাক্তন মুখ্য সচিব হৰেন্দ্ৰ নাথ দাসৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- অসম চৰকাৰৰ প্ৰাক্তন মুখ্য সচিব ডঃ হৰেন্দ্ৰ নাথ দাসৰ মৃত্যু। গীতানগৰৰ নিজা বাসগৃহত মৃত্যু হৰেন্দ্ৰ নাথ দাসৰ। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৮৯ বছৰ। অসম চৰকাৰৰ বহু গুৰুত্বপূৰ্ণ দায়িত্বত আছিল তেওঁ। ১৯৯০ চনৰ পৰা ১৯৯৫ চনলৈ অসম চৰকাৰৰ মুখ্য সচিব আছিল তেওঁ। অৰ্থনীতিবিদ হিচাপেও প্ৰসিদ্ধ আছিল ডঃ হৰেন্দ্ৰ নাথ দাস। ভাৰত চৰকাৰৰ বিত্ত বিভাগৰ সঞ্চালক পদতো আছিল ডঃ হৰেন্দ্ৰ নাথ দাস। ডঃ হৰেন্দ্ৰ নাথ দাসৰ আছিল এক উজ্জ্বল শৈক্ষিক কেৰিয়াৰ। বিশ্ববিদ্যালয়ত ইণ্টাৰমিডিয়েটত দ্বিতীয় বিভাগ লাভ, বি এ (অনাৰ্ছ)ত প্ৰথম আৰু অৰ্থনীতিত এম এত প্ৰথম শ্ৰেণী; মেট্ৰিক (ইতিহাস আৰু বিজ্ঞান)ত দুটা বিষয়ত আৰু ইণ্টাৰমিডিয়েট (ইতিহাস, নাগৰিক আৰু যুক্তি)ত তিনিটা বিষয়ত সৰ্বোচ্চ নম্বৰ লাভ কৰি অৰ্থনীতিৰ স্বৰ্ণ পদক আৰু প্ৰাগজ্যোতিষ মহাবিদ্যালয়, বি বৰুৱা মহাবিদ্যালয় আৰু শেষত গুৱাহাটী বিশ্ববিদ্যালয় আৰু কটন কলেজত অৰ্থনীতিৰ প্ৰবক্তা হিচাপে চমুকৈ কাৰ্যনিৰ্বাহ কৰিছিল। হৰেন্দ্ৰ নাথ দাসে ১৯৬১ চনৰ আই এ এছ পৰীক্ষাত (মুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা) উত্তীৰ্ণ হৈ ১৯৬১ চনত ভাৰতীয় প্ৰশাসনিক সেৱাত যোগদান কৰে। ১৯৩৭ চনৰ ৰ মাৰ্চত গুৱাহাটীৰ পানবজাৰত জন্মগ্ৰহণ কৰিছিল ডঃ হৰেন্দ্ৰ নাথ দাসে। ডঃ হৰেন্দ্ৰ নাথ দাসে মৃত্যুৰ সময়ত তেওঁৰ পত্নী, এজন পুত্ৰ আৰু এগৰাকী কন্যাক ইহসংসাৰত এৰি থৈ যায়।

# গুৱাহাটীৰ মাজমজিয়াত নৃশংস ঘটনা

ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটীৰ মাজমজিয়াত নৃশংস ঘটনা। পুত্ৰৰ হাত প্ৰাণ গ'ল পিতৃৰ। ভৰত দাস নামৰ এজন লোকক হত্যা কৰে পুত্ৰ জোন দাসে। পাৰিবাৰিক কন্দলৰ পৰিণতিতে আনন্দ নগৰত সংঘটিত হয় এই নৃশংস ঘটনা। দেওবাৰে সংঘটিত হোৱা এই ঘটনা শেহতীয়াকৈ পোহৰলৈ আহিছে। স্থানীয় লোকৰ পৰা জানিব পৰা মতে, পেছাত ইলেক্ট্ৰিচিয়ান ভৰত দাসে পুত্ৰ জোন দাস আৰু পত্নী পিংকী দাসসহ বহু বছৰ ধৰি জাপৰিগোগৰ আনন্দপুৰত থকা শান্তুৰেক ভাৰতী বড়োৰ ঘৰত বসবাস কৰি আছিল। প্ৰায়েই সুৰাপান কৰি মাতাল হৈ অহা ভৰত দাসে পত্নী পিংকী দাসক সাধাৰণ কথাতে মাৰধৰ কৰিছিল। যাৰ বাবে প্ৰায়ে পৰিয়ালটোত অশান্তিৰ সৃষ্টি হৈছিল। পত্নীয়ে সুৰাপান পৰিত্যাগ কৰাৰ বাবে স্বামী ভৰত দাসক বহুবাৰ বুজাইছিল যদিও সুৰাপান ত্যাগ কৰাৰ সলনি সুৰাৰ লগতে ভাঙো সেৱন কৰিবলৈ লয় ভৰত দাসে। যোৱা দেওবাৰৰ নিশাও সুৰা আৰু ভাঙৰ ৰাগিত মাতাল হৈ ঘৰ সোমাইছিল ভৰত দাসে। সাধাৰণ কথাতে পত্নীৰ সৈতে তৰ্কাতৰ্কি ভৰত দাসে আৰম্ভ কৰাৰ পাছত এই কাজিয়াই চূড়ান্ত ৰূপ লয়। আৰক্ষী সূত্ৰই সদৰী কৰা মতে, মাতাল ভৰত দাসে পত্নী পিংকী দাসক উপৰ্য্যুপৰি প্ৰহাৰ কৰিবলৈ লয়। স্বামীৰ প্ৰহাৰত এক প্ৰকাৰ দিশহাৰা হৈ পৰা পিংকী দাসে লগে লগে পুত্ৰক সহায়ৰ বাবে মাত দিয়ে। মাতৃৰ কাতৰ আহ্বান শুনি জোন দাসে লগে লগে ঘৰলৈ আহি পিতৃক প্ৰহাৰ কৰাৰ পৰা বিৰত থাকিবলৈ বাৰে বাৰে আহ্বান জনায়। কিন্তু ভাং আৰু সুৰাৰ নিচাই এক প্ৰকাৰ বলিয়া কৰি তোলা ভৰত দাসৰ পুত্ৰৰ আহ্বান শুনাৰ প্ৰতি কোনো আগ্ৰহ নাছিল। ওলোটাকৈ পুত্ৰক প্ৰহাৰ কৰিবলৈ ধৰে ভৰত দাসে। পিতৃৰ প্ৰহাৰত পূৰ্বৰে পৰা খঙত টিঙিৰি তুলা হৈ থকা জোন দাসে হিতাহিত জ্ঞান হেৰুৱাই কোঠালিটোৰ এচুকত



পৰি থকা ৰছীৰে পিতৃৰ ডিঙিত জোৰেৰে মেৰিয়াই ধৰে। যুৱক পুত্ৰৰ শক্তিশালী আক্ৰমণত আধামৰা হৈ ৰয় ভৰত দাস। ঘটনা বিষম দেখি পিংকী দাসে পুত্ৰক বুজাই- বঢ়াই শান্ত কৰি জিএমচিএইচলৈ পিতৃক নিয়াৰ বাবে আহ্বান জনায়। সেইমৰ্মে এখন অটোৰে দুয়ো মাতৃ-পুত্ৰই ভৰত দাসক জিএমচিএইচলৈ চিকিৎসাৰ বাবে নিয়ে যদিও আধা বাটতে ভৰত দাসে মৃত্যুক আঁকোৱালি লয়। তাৰ পাছত মৃতদেহ জাপৰিগোগৰ আনন্দপুৰৰ ঘৰলৈ নিয়াৰ সলনি নিশাই গোৰেশ্বৰৰ ভৰত দাসৰ পৈতৃকি

(দহ পৃষ্ঠাত চাওক)

# ভাৰতীয় বায়ু সেনা বাহিনীত অগ্নিবীৰ বায়ু নিযুক্তিঃ২০২৪

ৰঙিলী বাৰ্ত্তাসেৱা- অগ্নিবীৰ বায়ু (মিউজিচিয়ান) পদৰ নিযুক্তিৰ বাবে ইয়াৰ ৱেবচাইটত ভাৰতীয় বায়ু সেনা বাহিনীয়ে অধিসূচনা প্ৰকাশ কৰিছে। ২০২৪ চনৰ ২২ মে'ৰ পৰা agnipathvayu.cdac.in.-ত অগ্নিবীৰ বায়ু(মিউজিচিয়ান) ৰেলীৰ বাবে পঞ্জীয়ন আৰম্ভ হ'ব। দশম শ্ৰেণী উত্তীৰ্ণ হোৱা প্ৰাৰ্থীসকলে অধিসূচনাত উল্লেখিত অতিৰিক্ত যোগ্যতাসহ ২০২৪ ৰ ৫ জুন বা ইয়াৰ আগতে আবেদন কৰিব পাৰিব। ২০০৪ চনৰ ২ জানুৱাৰীৰ পৰা ২০০৭ চনৰ ২ জুলাইলৈকে (দুয়োটা দিনকে ধৰি) এই সময়ছোৱাত জন্মলাভ কৰা অবিবাহিত পুৰুষ আৰু মহিলা প্ৰাৰ্থীসকলে অগ্নিবীৰ বায়ু (মিউজিচিয়ান)পদৰ বাবে অনুষ্ঠিত হ'বলগীয়া নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। এই পৰীক্ষা কানপুৰ আৰু বেংগালুৰুত ২০২৪ চনৰ ৩ জুলাইৰ পৰা ১২ জুলাইলৈ অনুষ্ঠিত কৰা হ'ব। ভাৰতীয় বায়ুসেনা বাহিনীয়ে ইয়াৰ অফিচিয়েল ৱেবচাইটত শিক্ষাগত অৰ্হতা, বৃত্তিগত অৰ্হতা আৰু অন্যান্য তথ্য সামৰি যোগ্যতাৰ সবিশেষ আপলোড কৰিছে। এই পদত আবেদন কৰাৰ আগতে সবিশেষ পৰীক্ষা কৰি চাবলৈ প্ৰাৰ্থীসকলক পৰামৰ্শ দিয়া হ'ল। মিউজিকেল বাদ্যযন্ত্ৰ বজোৱাৰ দক্ষতাসহ বাছনি প্ৰক্ৰিয়া তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব।

# প্ৰাক্তন সাংসদ কিৰিপ চলিহাৰ সংবাদ মেল



ৰঙিলী বাৰ্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত কংগ্ৰেছ দলৰ প্ৰাক্তন সাংসদ কিৰিপ চলিহাই এটি সংবাদ মেল অনুষ্ঠিত কৰে। সংবাদ মেলত তেওঁ কয় যে বৰ্তমান অসমৰ মুখ্যমন্ত্ৰীয়ে তেওঁৰ দুজন মান ঘনিষ্ঠ মন্ত্ৰীক সাংগো পাংগো হিচাবে লৈ ৰাজ্যৰ প্ৰতিটো কাৰ্য্যকৰী আছে, দেশত যেন আইন আদালত নাই। যদি এনেকৈয়ে চলিবলৈ হয় তেন্তে অসমৰ ৰাইজ খুব কম দিনৰ ভিতৰত ৰাজপথলৈ ওলাই আহিব লাগিব। বিজেপি এতিয়া এনে এটা পৰ্য্যায় পাইছে যে তেওঁলোকক এতিয়া আৰু আৰ এছ এছৰ প্ৰয়োজন নাই। সেইটো তেওঁলোকৰ কথা আৰু কাৰ্য্যৰ পৰাই গম পোৱা যায়। এতিয়া গণতন্ত্ৰ ৰক্ষা কৰিবলৈ হ'লে এই একনায়কত্ব চৰকাৰক ওফৰাব লাগিব। নিৰ্বাচন সংক্ৰান্তত তেওঁ মন্তব্য কৰি কয়, যদি নিৰ্বাচনত ই ভি এম মেচিনৰ দ্বাৰা ভোটদান কাৰ্য্য চলি থাকে তেন্তে সন্দেহ নাই ভাৱি কোঁনফালে হ'ব। কাৰণ তেওঁ নিজৰ ক্ষেত্ৰতে এই বিষয়ে প্ৰমাণ পায় থৈছে। বৰ্তমান ৰাজনীতিকে সংবাদ মাধ্যমকো নিজৰ বহতিয়া কৰি লৈছে। যাৰ বাবে এতিয়া ৰাজনীতি ঘৃণনীয় হৈ পৰিছে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰী মোদীৰ কথাও তেওঁ উল্লেখ কৰে। বিজেপি দলত মোদীৰ বাহিৰে দ্বিতীয় জন ব্যক্তি আৰু নাই প্ৰধানমন্ত্ৰী হোৱাৰ যোগ্য। বিগত নিৰ্বাচনত বিৰোধীৰ লগত ৬ টা সমষ্টিত বিজেপিৰ তীব্ৰ প্ৰতিদ্বন্দিতা হ'ব বুলিও তেওঁ উল্লেখ কৰে।

# ডিব্ৰুগড়ৰ পৰা ৩৬ হজযাত্ৰী মক্কা মদিনালৈ ৰাওনা



ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ পৰা এই বছৰ মুঠ ৩৬ গৰাকী হজযাত্ৰী হজ কৰাৰ উদ্দেশ্যে পৱিত্ৰ মক্কা মদিনা লৈ ৰাওনা হৈছে। এই উদ্দেশ্যে যোৱা ২২-৫-২৪ ডিব্ৰুগড়ৰ বাণীপুৰ ৰে'ল ষ্টেচনৰ পৰা দুখন ৰাজধানী এক্সপ্ৰেছ ৰে'লেৰে হজযাত্ৰী সকলে গুৱাহাটীলৈ ৰাওনা হয়। প্ৰায় দুহেজাৰৰো অধিক আত্মীয় স্বজন, বন্ধু বান্ধৱী তথা ওচৰ চুবুৰীয়াই হজযাত্ৰী সকলক ৰে'ল ষ্টেচনত আবেগিক ভাৱে বিদায় দিয়ে আৰু হজযাত্ৰী সকলেও বিশ্ব শান্তিৰ তথা সকলোৰে বাবে দোৱা প্ৰাৰ্থনা কৰে। এই বছৰ ডিব্ৰুগড়ৰ পৰা চৰকাৰী ভাৱে যোৱা মুঠ ৩৬ গৰাকী হজযাত্ৰীৰ ভিতৰত ২০ গৰাকী পুৰুষ আৰু ১৬ গৰাকী মহিলা। তেওঁলোকে গুৱাহাটীৰ পৰা অহা ২৫ মে'ত পোনে পোনে বিমান যোগে মদিনালৈ যাব আৰু তাৰ পিছত মক্কালৈ যাব আৰু যাৱতীয় ধৰ্মীয় কাম কাজ সমাপন কৰাৰ পাছত অহা ৮ জুলাইত নিজ গৃহলৈ প্ৰত্যাৱৰ্তন কৰিব অৰ্থাৎ প্ৰায় চল্লিছ দিন মক্কা মদিনাত থাকি সন্মানীয় হাজী উপাধিৰে বিভুষিত হৈ আহিব। ইয়াৰোপৰি এই বছৰ ব্যক্তিগত ভাৱেও প্ৰায় ৫০ গৰাকী পুৰুষ মহিলাই উমৰাহ হজ কৰি ইতিমধ্যে নিজ নিজ গৃহলৈ ঘূৰি আহিছে। ডিব্ৰুগড়ৰ পৰা হজ কৰিবলৈ যোৱা হজযাত্ৰী সকলক ইতিমধ্যে অভিজ্ঞ প্ৰশিক্ষকৰ দ্বাৰা প্ৰশিক্ষণ প্ৰদান কৰাৰ উপৰিও ছিটা আদি দিয়া হয়। এই বছৰ অসমৰ পৰা মুঠ চাৰি হাজাৰ হজযাত্ৰী মক্কা মদিনালৈ পোনে পোনেই যাব বুলি অসম হজ কমিটিৰ অধ্যক্ষ আলহজ নেকিবুজ জামানে জানিবলৈ দিয়ে।

# মঙলদৈত ২ লাখ ৫ হাজাৰ টকাত বিক্ৰী হ'ল এখন ফুলাম গামোচা



ৰঙিলী বাৰ্তাসেৱা- মঙলদৈত থলুৱা শিপিনীৰ দ্বাৰা তৈয়াৰ কৰা এখন ফুলাম গামোচা বিক্ৰী হ'ল ২ লাখ ৫ হাজাৰ টকাত। অবিশ্বাস্য যেন লাগিলেও এয়াই সত্য। দৰঙৰ ডাঁহী অৰ্জুনতল শ্ৰীবিষ্ণু মন্দিৰত অসমীয়াৰ স্বাভিমান ফুলাম থলুৱা গামোচা এখন ২ লাখ ৫ হেজাৰ টকাত বিক্ৰী হৈছে। দেৱবস্ত্ৰ হিচাবে নামাংকৃত এই বিশেষ ফুলাম গামোচাখন মঙলদৈৰ টেঙাবাৰীৰ দিনেশ্বৰ শৰ্মাৰ পুত্ৰ ৰাকেশ শৰ্মাই অবিশ্বাস্য দৰত মাতৃ প্ৰয়াত মিনু দেৱীৰ নামত নিলামযোগে ক্ৰয় কৰে। লক্ষণীয় যে, ডাঁহী অৰ্জুনতল বিষ্ণুমন্দিৰৰ জেঠমহীয়া বিষ্ণু হোমত প্ৰতি বছৰে দেৱবস্ত্ৰ নিলাম অনুষ্ঠিত কৰি আহিছে। প্ৰকৃততে এখন ফুলাম গামোচা অধিবাসৰ দিনাৰে পৰা মন্দিৰত বিশেষ পূজা-অৰ্চনাৰে থাপনা থাপি দেৱবস্ত্ৰ হিচাবে ৰাইজৰ মাজত দ্বিতীয় দিনা নিলামত এৰি দিয়া হয়। এই বিশেষ গামোচাখনে মন্দিৰত পূজাৰ পাছত বিশেষ গুণ অৰ্জন কৰা বুলি স্থানীয় ৰাইজে বিশ্বাস কৰে আৰু নিলামত ক্ৰয় কৰিবলৈ হেতা-ওপৰা লগায়। এইবাৰ এই গামোচাখন ক্ৰয় কৰে ৰাকেশ শৰ্মাই।

# বিত্তীয় স্বাক্ষৰতা শিবিৰ উপলক্ষে এপেক্স বেংকৰ ঋণ মঞ্জুৰী পত্ৰ বিতৰণ



ৰঙিলী বাৰ্তাসেৱা- ৰাজ্য খনৰ অগ্ৰণী সমবায় খণ্ডৰ বিত্তীয় প্ৰতিষ্ঠান দি অসম কো-অপাৰেটিভ এপেক্স বেংকৰ মঙলদৈ শাখাই বিত্তীয় স্বাক্ষৰতা শিবিৰ উপলক্ষে ২২ মে'ত ৭ টা আত্ম সহায়ক গোটলৈ ২০ লক্ষাধিক টকাৰ ঋণ মঞ্জুৰী পত্ৰ বিতৰণ কৰে। বিত্তীয় স্বাক্ষৰতা শিবিৰ উপলক্ষে আয়োজন কৰা এই অনুষ্ঠানত অংশগ্ৰহণ কৰি সমল ব্যক্তি তপন কুমাৰ শৰ্মাই বিত্তীয় স্বচ্ছতাৰ ক্ষেত্ৰত ল'ব লগা সাৱধানতাৰ বিষয়ে গ্ৰাহকক বিতংকৈ জানিবলৈ দিয়ে। উল্লেখ্য যে ২০২৪-২৫ বিত্তীয় বৰ্ষত ৩ কোটিৰো অধিক টকা আত্ম সহায়ক গোটলৈ ঋণ দিয়া হ'ব বুলি শাখা পৰিচালক মণিদীপ শৰ্মাই কয়। অৱসৰপ্ৰাপ্ত শিক্ষক মিলিক কুমাৰৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত নাবাৰ্ডৰ সহকাৰী মহা প্ৰবন্ধক গৌৰৱ কুমাৰ ভট্টাচাৰ্য, অৱসৰপ্ৰাপ্ত বেংক বিষয়া তপন কুমাৰ শৰ্মা, ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযানৰ পূব মঙলদৈ উন্নয়ন খণ্ডৰ বিপিএম পংকজ কুমাৰ শইকীয়া, মঙলদৈস্থিত স্বেচ্ছাসেৱী অনুষ্ঠান 'এন ই কাৰ্ড'ৰ অধ্যক্ষ গৌতমানন্দ গোস্বামীয়ে অংশগ্ৰহণ কৰে।

# চচল শাখা লেখিকা সমাৰোহৰ প্ৰতিষ্ঠা দিৱস



ৰঙিলী বাৰ্তাসেৱা- চচল শাখা লেখিকা সমাৰোহ সমিতিৰ চতুৰ্দশ সংখ্যক প্ৰতিষ্ঠা দিৱসটি উলহ-মালহেৰে স্থানীয় চচল শতদল শাখা সাহিত্য সভাৰ ৰবীন্দ্ৰনাথ দাস সভাগৃহত অনুষ্ঠিত হয়। পুৱা ৯-০০ বজাত শাখাৰ সভানেত্ৰী প্ৰণীতা শৰ্মাই পতাকা উত্তোলন কৰে। বন্তি প্ৰজ্বলন কৰে উপদেষ্টা হিৰন্ময়ী নাথে। শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰে কামৰূপ মহানগৰ লেখিকা সমাৰোহ সমিতিৰ সম্পাদিকা শেৱালি ভাগৱতীয়ে। মুকলি সভাত সভাপতিত্ব কৰে সভানেত্ৰী প্ৰনীতা শৰ্মাই। সম্পাদিকা চিত্ৰা দাসে আদৰণি ভাষণ প্ৰদান কৰে। সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী, কামৰূপ(ম) জিলাৰ লেখিকা সমাৰোহ সমিতিৰ উপদেষ্টা নীলিমা বৰাই সাৰুৱা ভাষণ প্ৰদান কৰে। বিশিষ্ট অতিথিৰ আসনৰ পৰা সদৌ অসম লেখিকা সমাৰোহ সমিতিৰ উপ-সভানেত্ৰী, কামৰূপ(ম) জিলা লেখিকা সমাৰোহ সমিতিৰ কাৰ্যকৰী সভানেত্ৰী দৰ্পনা বৰা নেওগে উদ্বোধনী ভাষণ আগবঢ়ায়। সভাত শাখাৰ উপদেষ্টা হিৰন্ময়ী নাথে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে। শাখাৰ পৰা প্ৰকাশিত এখনি কবিতাপুথি 'একুঁকি বাখৰুৱা কবিতা' উন্মোচন কৰে অসমৰ এগৰাকী বিশিষ্ট কবি নীলিম কুমাৰে। উন্মোচনী ভাষণত তেওঁ কয় যে আত্মা অবিহনে সাৰ্থক কবিতাৰ সৃষ্টি হ'ব নোৱাৰে ইত্যাদি এক মননশীল বক্তব্যৰে উপস্থিত

(দহ পৃষ্ঠাত চাওক)

# সম্প্ৰীতি কল্যাণ ফাউণ্ডেচন- মহিলা যোগ সংঘৰ প্ৰীতি সন্মিলন



ৰঙিলী বাৰ্ত্তাসেৱা- ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰৰ দ্বাৰা পৰিচালিত পূৰ্বাঞ্চল যোগ তীৰ্থ প্ৰকল্প মালিগাঁৱত দিনযোৰা কাৰ্যসূচীৰে এক মননশীল প্ৰীতি সন্মিলন অনুষ্ঠিত হয়। সম্প্ৰীতি কল্যাণ ফাউণ্ডেচন আৰু পূৰ্বাঞ্চল মহিলা যোগ ফাউণ্ডেচনৰ যুটীয়া উদ্যোগত অনুষ্ঠিত অনুষ্ঠানটো বন্তি প্ৰজ্বলনেৰে শুভ উদ্বোধন কৰে বিশিষ্ট অভিনেত্ৰী ঋণু দেৱী ঠাকুৰে। উদ্বোধনী ভাষণত অভিনেত্ৰী গৰাকীয়ে বৰ্তমান সময়ত উশৃঙ্খলিত সাংস্কৃতিক অনুষ্ঠানৰ বিপৰীতে অনুষ্ঠানটো এক গতিশীল আৰু আকৰ্ষণীয় অনুষ্ঠান বুলি অভিহিত কৰে। অসমৰ কৃষ্টি-সংস্কৃতিখিনিক সৃষ্টিশীল চিন্তাৰে বিশ্ব দৰবাৰলৈ লৈ যোৱাৰ ক্ষেত্ৰত সকলোৰে

(দহ পৃষ্ঠাত চাওক)

# গুৱাহাটীত এবিভিপিৰ ৰাজ্যিক সদস্যতা কৰ্মশালা



ৰঙিলী বাৰ্ত্তাসেৱা- অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ অসম প্ৰদেশৰ উদ্যোগত আগন্তুক ২৪-২৫ বৰ্ষৰ সদস্যতা অভিযানৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যিক সদস্যতা কৰ্মশালা গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ত অনুষ্ঠিত হৈ যায়। য'ত বিদ্যাৰ্থী পৰিষদৰ অসম প্ৰদেশৰ প্ৰতিখন জিলাৰ নেতৃত্ববৃন্দ উপস্থিত থাকে। এক নিদিষ্ট পদ্ধতি অৱলম্বন কৰি প্ৰতি বছৰে অনুষ্ঠিত হোৱা এই সদস্যতা অভিযানত অসম প্ৰদেশত এই বাৰ দুই লক্ষাধিক সদস্য ভৰ্তিৰ লক্ষ্য লোৱাৰ লগতে সৰ্বভাৰতীয় পৰ্যায়ত এক কোটিত কৈও অধিক লোৱা হৈছে। এই লক্ষ্যত উপনীত হ'বলৈ এবিভিপি দেশৰ প্ৰতিটো প্ৰান্তৰ প্ৰতিখন শিক্ষানুষ্ঠানলৈ যাব লাগিব, সেই উদ্দেশ্যেৰেই গুৱাহাটী বাণিজ্য মহাবিদ্যালয়ত সমগ্ৰ অসমৰ জিলাত নেতৃত্ব প্ৰদান কৰিব লগীয়া এনে ছাত্ৰ ছাত্ৰী সকলক কৰ্মশালাত বিতংভাৱে শিকোৱা হয় ।পৰৱৰ্তী সময়ত প্ৰতিখন জিলা আৰু আঞ্চলিক পৰ্যায়ত এই সদস্যতা কৰ্মশালা অনুষ্ঠিত কৰি এই লক্ষ্য উপনিত কৰিব পৰাকৈ কাৰ্যকৰ্তাক প্ৰশিক্ষণ প্ৰদান কৰা হ'ব। অনুষ্ঠানত অসম প্ৰদেশৰ ৰাজ্যিক উপ-সভাপতি মাইহুৰ্ছা বড়ো, ৰাজ্যিক সম্পাদক হেৰল্ড মহন, ৰাজ্যিক সংগঠনিক সম্পাদক অনুপ কুমাৰ ৰাজ্যিক সহ সাংগঠনিক সম্পাদক বিপুল ৰাভা বিশেষভাৱে উপস্থিত থাকে।

# উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থাৰ সাধাৰণ সভা

ৰঙিলী বাৰ্ত্তাসেৱা- মহানগৰীৰ উজান বজাৰস্থিত হোটেল ব্লু মুনত উত্তৰ পূৰ্বাঞ্চল সংখ্যালঘু ছাত্ৰ সন্থা (নেমচু)ৰ উদ্যোগত কেন্দ্ৰীয় সমিতি গঠন কৰাৰ বাবে এখন সাধাৰণ সভাৰ পৰিৱৰ্তেন পুৰণি বিষয় ববীয়া তথা কৰ্মকৰ্তা সহ প্ৰায় ৪৫ জন ব্যক্তিৰ উপস্থিতিত এক আলোচনা সভা অনুষ্ঠিত হয়। উল্লেখ থাকে যে ২১ মে'ত সংখ্যালঘু ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক (প্ৰা) জিয়াউল হক, সাধাৰণ সম্পাদক জাকিৰ হুছেইন তালুকদাৰৰ চিল মোহৰ ও স্বাক্ষৰ সম্বলিত পত্ৰত গোলাপ ৰাবানি, বাহাৰুল ইছলাম, হাফিজুল হক, নৱ গঠিত নেমচুৰ কৰ্মকৰ্তাৰ বিৰুদ্ধে লতাশিল আৰক্ষী থানাত এখন এজাহাৰ দাখিল কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত নতুন, পুৰণি দুয়োটা কেন্দ্ৰীয় কমিটীৰ বিষয় ববীয়া তথা কৰ্মকৰ্তা সহিতে আলোচনা সভা মৰ্মে থানাৰ এজাহাৰ প্ৰত্যাহাৰ কৰাৰ সিদ্ধান্ত লয়। আকৌ ৪ জুনৰ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পাছত আলোচনা মৰ্মে তেওঁলোকে ক্ৰমে প্ৰাক্তন সাধাৰণ সম্পাদক জীয়াউল হক, সাধাৰণ সম্পাদক জাকিৰ হুছেইন তালুকদাৰ, আৰু নতুন কমিটীৰ ক্ৰমে গোলাপ ৰাবানী, বাহাৰুল ইছলাম, হাফিজুল



হক আদিৰ নেতৃত্বত আলোচনা মৰ্মে পৰৱৰ্তী কেন্দ্ৰীয় কাৰ্য্য নিৰ্বাহক কমিটী গঠনৰ দায়িত্ব অৰ্পন কৰে। বৰ্তমান চূড়ান্ত কমিটী গঠন নোহোৱালৈকে ৪ জুনলৈ পুৰণা কমিটীয়েই বাহাল থাকিব বুলি তেওঁলোকে সিদ্ধান্ত লয়।

# বিৰোধী ঐক্য মঞ্চৰ ২০২৬ চনৰ নিৰ্বাচন সম্পৰ্কে বৈঠক



ৰঙিলী বাৰ্ত্তাসেৱা- বিৰোধী ঐক্য মঞ্চই ২০২৬ চনৰ নিৰ্বাচনৰ প্ৰস্তুতি এতিয়াৰে পৰা আৰম্ভ কৰাৰ প্ৰস্তুতি লৈছে। গুৱাহাটীৰ দিচাং ৰিজৰ্টত বিৰোধী শিবিৰৰ চাৰিগৰাকী শীৰ্ষস্থানীয় নেতা ভূপেন বৰা, অজিত কুমাৰ ভূঞা, লুৰীণজ্যোতি গগৈ আৰু অখিল গগৈ এক আলোচনাত মিলিত হয়। ইফালে অসম জাতীয় পৰিষদে ততাতৈয়াকৈ দলটোৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহকৰ বৈঠকৰ আয়োজন কৰিছে। ২৩ মে'ৰ দিনা ডিব্ৰুগড়ত দলটোৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকৰ বৈঠক অনুষ্ঠিত হয়। ২৪ মে'ৰ দিনা ডিব্ৰুগড়তে দলটৰ প্ৰতিনিধি সভাৰ বৈঠক অনুষ্ঠিত হয়।

# শুৱালকুছি তাত শিল্প উন্নয়ন সমিতিৰ সংবাদ মেল




ৰঙিলী বাৰ্ত্তাসেৱা- গুৱাহাটী প্ৰেছ ক্লাবত শুৱালকুছি তাত শিল্প উন্নয়ন সমিতিয়ে এখন সংবাদ মেল অনুষ্ঠিত কৰে। উক্ত সংবাদ মেলত তেওঁলোকে কয় যে অসমৰ বস্ত্ৰ নগৰী এতিয়া নানান সমস্যাৰ গৰাহত। অসম চৰকাৰ তথা অসমৰ ৰাইজৰ

(দহ পৃষ্ঠাত চাওক)

# লখিমপুৰত থানাৰ ভিতৰতে মৃত্যু আচামীৰ

ৰঙিলী বাৰ্ত্তাসেৱা- লখিমপুৰৰ খেলমাটি থানাত সংঘটিত হৈছে এক অঘটন। থানাৰ ভিতৰতে মৃত্যু এজন ব্যক্তিৰ। নিহত লোকজনৰ নাম আৰ্চভ আলী বুলি জানিব পৰা গৈছে। আৰ্চভ আলীৰ ঘৰ লখিমপুৰৰ চান্দমাৰিত। এটা ম'বাইলক কেন্দ্ৰ কৰি আৰ্চভ আলীক থানালৈ মতাই আনিছিল খেলমাটি আৰক্ষীয়ে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, আৰ্চভ আলী ম'বাইল চুৰি গেঙৰ লীডাৰ।



থানাৰ ভিতৰতে হঠাৎ অসুস্থ হৈ মজিয়াত বাগৰি পৰি আৰ্চভ আলীৰ মৃত্যু হোৱা বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। অৱশ্যে এই ঘটনাৰ ক্ষীপ্ৰ তদন্তৰ নিৰ্দেশ দিছে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান জি পি সিঙে ।আৰক্ষীৰ সঞ্চালক প্ৰধান গৰাকীয়ে সামাজিক মাধ্যমযোগে এই ঘটনাৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰি উচিত তদন্তৰ নিৰ্দেশ দিয়ে ।ইতিমধ্যে এই ঘটনাৰ পিছতে খেলমাটি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া দিপাংকৰ চাংমাইক ৰিজাৰ্ভ ক্ল'জ কৰা হৈছে। আচামীৰ মৃত্যু ঘটনাত হেড কনিষ্টবলক নিলম্বন আৰক্ষী অধীক্ষকৰ। এই ঘটনাক কেন্দ্ৰ কৰি খেলমাটি থানা চৌহদত এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। বহু লোক আহি থানা চৌহদত এক হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। থানা ঘেৰাও কৰি ৰাইজে প্ৰতিবাদ সাব্যস্ত কৰে। আৰক্ষীৰ বাহন ভাঙি লণ্ডভণ্ড কৰিলে প্ৰতিবাদকাৰীয়ে। আৰক্ষীলৈ শিলগুতি নিক্ষেপ একাংশ প্ৰতিবাদকাৰীৰ। প্ৰতিবাদকাৰীক নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষীৰ শূন্যলৈ গুলীচালনা কৰাৰ লগতে লাঠিচাৰ্জো কৰিবলগীয়া হয়।

# দুৰ্ঘটনা (এক্সিডেন্ট)




**অনামিকা (সংগীতা)কলিতা, শুৱালকুছি**

হস্পিটালৰ এখন বেঞ্চত ল'ৰাটো কোলাত লৈ ৰীমাই চকু পানী টুকী বহি আছিল হঠাতে শাহুৰেক বতাহী আৰু দেওৰেক দুয়োটা হস্পিতালত উপস্থিত হোৱা দেখি তাই আচৰিত হোৱাৰ লগতে ভাল পালে, অকণমান সাহস বাঢ়িল আৰু হাততে সৰগ খন ঢুকি পোৱা যেন অনুভৱ হ'ল।

তাই শাহুৱেকক সাৱটি ধৰিলে আৰু হুকহুকাই কান্দিলে, শাহুৱেকে তাইৰ চকুপানী বোৰ মচি দিলে, আশ্বাস ভৰা চাৱনিৰে তাইৰ লগত একেলগে বেঞ্চত বহি লৈ তাইৰ মূৰটো মৰমেৰে পিহি দিলে। শাহুৱেকৰ হাতৰ স্পৰ্শই তাইৰ সকলো ভাগৰ পলকতে নোহোৱা হোৱা যেন লাগিল। দেওৰেক দুজনে তাইৰ ল'ৰা দিপক কোলাত তুলি সাৱটি থাকিল কিছুসময়, সিও খুৱাক হতক একথৰে চাই থাকিল, তেওঁলোক দুয়ো চুমা খাই মৰম কৰি বাহিৰলৈ লৈ গ'ল। তাকে দেখি তাই দুখৰ মাজতো অকণমান শান্তি পালে কিন্তু পিছ মুহূৰ্তে তাইৰ বুকুখন এক শোকে খুন্দা মাৰি ধৰিলে, আৰু তাইৰ পাঁচ বছৰ আগৰ কথা মনলৈ আহিল - ঘৰৰ একমাত্ৰ ছোৱালী আছিল তাই, দেউতাক মাকৰ কৰ আলসুৱা মৰমত ডাঙৰ হোৱা ৰীমা। হায়াৰ চেকেণ্ডাৰী পঢ়ি থাকোতে দেউতাক মাকৰ অমতত মৃদুলক ভাল পাই গুছি আহিছিল। মৃদুলৰ ভাই-ভনী ভৰা ঘৰখনত, পৰিয়ালৰ কাম-কাজ বোৰ দেখি তাইৰ মূৰটো গৰম হ'বলৈ ধৰিলে। একক পৰিয়াল ডাঙৰ হোৱা ৰীমা মাকক দেউতাৰ সৈতে তাই তিনিগৰাকী সদস্য আছিল। সেই কাৰণে তাইৰ অশান্তিত থকা কাৰণটো মৃদুলৰ মাকে ভালদৰে বুজি পালে, আৰু পুতেকক কাষলৈ মাতি সকলো বুজাই বঢ়াই সিহঁত দুয়ো তাক বেলেগে কৰি থাকিবলৈ দিলে। মাকৰ কথা মতে মৃদুলে সিহঁতৰ বজাৰত ভাড়া দিবৰ বাবে বনোৱা ৰুমতে বস্তু বাহিনীৰ লৈ ৰীমাৰ সৈতে সি থাকিব ল'লে । তাইক সুখত ৰাখিবৰ বাবে মৃদুলে তাৰ নিজৰ ঘৰখন এৰি, সিহঁতৰ ভাড়া ঘৰৰ বাবে বনোৱা ঘৰত নিজে ভাড়াতীয়া হৈ তাইৰ লগত সংসাৰ আৰম্ভ কৰিলে । এনেকৈ সুখ আনন্দৰে সময় বোৰ গৈ থাকিল, দুয়োৰে মাজত কোলা শুৱনি কৰিবলৈ পুত্ৰ সন্তান এটিৰ আগমন হ'ল। কিন্তু যোৱাকালি মৃদুলে তাৰ কামৰ পৰা আহি থাকোতে ট্ৰাকত খুন্দা লাগি এক্সিডেন্টত গুৰুতৰ ভাৱে অহত হয়। কোনোবাই হস্পিতাললৈ আনি মৃদুলৰ ফোনটোত তাইৰ নম্বৰটো লৈ ফোন কৰিলে। তাই লগে লগে সন্তানটো কোলাত লৈ হস্পিতাল'লৈ ঢাপলি মেলে। তাই পলাই অহাৰ পিছত প্ৰথম বাৰৰ বাবে মাক-দেউতাকক ফোন কৰিলে কিন্তু তেওঁ লোকে ভেকাহি মাৰি ফোনটো থৈ দিলে, কোনো নাহিল। শাহুৰেক-দেউৰেকক এবাৰ ফোন কৰি দিয়াৰ পিছতে তৎক্ষণাত আহিল, এয়া হয়তো হৃদয়ৰ এক এনাজৰী বান্ধোন তাইৰ কাৰণে ইমান দিনে বিচ্ছিন্ন হৈ আছিল আৰু আজি পুণৰ জোৰা লাগিল তাই অনুভৱ কৰিলে । নিজৰ ভুলৰ বাবে তাই শাহুৱেকৰ ভৰি ধৰি ক্ষমা খুজিলে। মৃদুলৰ অকণমান চেতনা ঘুৰি অহাত তাৰ এখন হাতত ভায়েকৰ স্পৰ্শ তাৰ চকু পানী বৈ আহিল, মাকে তেখেতৰ আঁচলেৰে মচি দিলে তাৰ চকুপানীবোৰ। এজন ভায়েকে তাক তেজ দিলে, এক্সিডেন্টত অকণমান বেয়াকৈ আঘাট পোৱাত যথেষ্ট তেজ গাৰ পৰা ওলাই গৈছিল। ভায়েক হতক আৰু মাকক দেখি মৃদুলৰ মনতো প্ৰশান্তিৰে ভৰি পৰিল। সি অনুভৱ কৰিলে তাৰ জীৱনত এয়া এক্সিডেন্ট নহয় আশীৰ্বাদ ---

# ব্যস্ত সময় বনাম আজৰি সময়

**সুনম বিশ্বাস, গোৰেশ্বৰ, তামুলপুৰ**



সময় বোৱতী নৈৰ দৰে, ই অবিৰাম গতিত প্ৰৱাহিত হৈ থাকে। বিজ্ঞানৰ অভিনৱ অৱদানসমূহ তথা পৃথিৱীৰ এনে কোনো বস্তুৰেই সময়ক ধৰি ৰখাৰ ক্ষমতা নাই। কিন্তু মানৱ জীৱনৰ উজ্জ্বল মুহূৰ্তবোৰ কেমেৰাত আবদ্ধ কৰি ধৰি ৰাখিব পাৰি। সময়ে বহু কথা শিকাই যায়। ই সকলোৰে জীৱনত অভিজ্ঞতাৰ বিৰল চাপ পেলাই যায়। কিছুলোকৰ জীৱনত অটল সময় কিন্তু সুখ নাই, আন কিছুলোকৰ সময়ৰ অভাৱ থকা স্বত্বেও মহাসুখৰ অধিকাৰী। বিশাল জনাৰুণ্যত সময়ৰ অভাৱৰ বাবেই বহুলোক নিঃসংগ হৈ পৰে। প্ৰাণ খুলি হাঁহিবলৈ পাহৰি যায়।

বৰ্তমান আধুনিকতাৰ চক্ৰবেহুত পৰি প্ৰায়ভাগ লোকৰে মুখত সততে এটা কথা শুনা যায় যে 'সময় নাই'। মা - দেউতা, আত্মীয়-স্বজন, বন্ধু - বান্ধৱী কাকো সময় দিবলৈ আমাৰ হাতত সময় নাই। আমি ইমানেই ব্যস্ত সমাজ! ভাৰতীয় মান সময় মতে ২৪ ঘণ্টীয়া দিন-ৰাতি সকলোৰে বাবেই সমান। তেনেহ'লে সময়ৰ অভাৱ কিহৰ বাবে হৈছে ? এই ক্ষেত্ৰত প্ৰশ্নৰ অৱকাশ নাথাকে নে?

প্ৰকৃতাৰ্থত আমি যান্ত্ৰিক পৃথিৱীখনৰ খুব আপোন বাসিন্দা হৈ পৰিছোঁ। আমি এতিয়া নিজৰ লগত কথা পাতিবলৈকো আহৰি নাপাওঁ। প্ৰতিটো ক্ষণ ফোনাকৃষ্ট হৈ পৰিছোঁ। যাৰ ফলশ্ৰুতিত মনৰ পৃথিৱীখন সংকুচিত হ'বলৈ ধৰিছে। বৃদ্ধ পিতৃ- মাতৃয়ে ল'ৰা-ছোৱালীৰ এযাৰ মাত শুনিবলৈ অধীৰ অপেক্ষাৰে ৰৈ থাকে। কিন্তু

(আঠপৃষ্ঠাত চাওক)

# মাঁ শব্দেৰে সজাম জীৱনৰ পাণ্ডুলিপি

**ৰঞ্জিত বৰ্মন**



সাঁচা কথাবোৰ কবলৈ
আজি দেখোন বুকুখন বিষাই,
নোকোৱাকৈ থাকিবও নোৱাৰোঁ ;
শব্দটোৰে মোক
এতিয়াহে বৰকৈ আমনি কৰা হ'ল!
যেতিয়া কথা কবলৈ শিকিছিলো,
শব্দটো আওৰাবলৈ মোক
কোনেও শিকাই দিয়া নাছিল ।
সেইবাবেই বুজা নাছিলো
শব্দটোৰ গভীৰ মৰ্মবেদনা!
দিনৰ দিনটো খেলি
যেতিয়া ঘৰমুখী হওঁ
সমনীয়াই কোৱা শুনিছিলো,
পলম হ'লে মাঁয়ে কোবাব...,
কেতিয়াবা শুনো
তুমি থাকা মই যাওঁ
মাঁয়ে চেকনিৰে পিঠি ফালিব!
মই বৰ পলমকৈ বুজিলোঁ
মাঁ শব্দটোৰ মৰ্মবেদনা ;
কথা কবলৈ শিকাৰ পৰা
মাতৃত্বৰ মৌ বৰষা মাঁ শব্দটোৰে
বঞ্চিত কৰিলে মোক ।
সেইবাবেই মাঁ শব্দটো শুনিলে
বুকুখন বিষাই ।
মাঁ হেনো স্বৰ্গীয় সুখৰ অনুভূতি;
অথচ সেই অনুভূতি আজি মই
সমস্বৰে প্ৰকাশ কৰিব পৰা নাই ।
কেতিয়াবা ভাৱ হয়
আকৌ এবাৰ জন্ম পোৱা হ'লে,
মাঁ শব্দটোৰ অমৃতময়
পৰশ পোৱা হ'লে!
অনুভৱে সাৰ পালেহেঁতেন
হয়তো আন বহু সুপুত্ৰৰ দৰে!
কবলৈ মন যোৱা নাই
মনত শংকা যদি ভুলকৈ কওঁ,
তথাপিও মনৰ উক্মুকনি
ধৰি ৰাখিব পৰা নাই ;
স্বৰ্গীয় হেনো ঈশ্বৰৰ ঘৰ
তাৰ পৰাই আত্মাৰ পুনৰ জন্ম হয়!
মাঁ তুমি যদি পুনৰ জন্ম লৈছা,
অপেক্ষা কৰিবা মোৰ মৃত্যুৰ বাবে,
পুনৰ থিতাপি লম তোমাৰ গৰ্ভত
মৌ বৰষা মাঁ শব্দটোৰেই
পাণ্ডুলিপি লিখিম মোৰ
নতুন জীৱনৰ ।

# সুন্দৰ বিলাসী ঘৰ এটা সাঁজিব লাগে

**শৈলেন কুমাৰ, মিৰ্জা**



সকলো মানুহৰ জীৱনৰ গুৰুত্বপূৰ্ণ এটা সপোন এটা ভাল ঘৰ তৈয়াৰ কৰিব লাগে। সকলোৰে দৃষ্টি আকৰ্ষিত কৰিব পৰা এটা ধুনীয়া ঘৰ সাজিব লাগে নহয়নে? ঘৰখন বনাই মেলি ঘৰখন আকৌ বিভিন্ন অমূল্য সম্পদৰে ভৰাব লাগিব। সমাজত স্থান পাবলৈ হ'লে ধুনীয়া ঘৰ, সম্পত্তি, ধুনীয়া পত্নী, গাড়ী ঘোঁৰাৰ প্ৰয়োজন আজিকালি। মানুহৰ কামনাৰ অন্ত নাই। কিন্তু কেতিয়াবা ভাবি চাইছেনে অতিমাত্ৰা কামনাই আমাক তীব্ৰভাৱে পতনৰ ফালে লৈ গৈ আছে । পৃথিৱী এটাই দ্বিতীয় পৃথিৱী আমি সৃষ্টি কৰিব নোৱাৰোঁ কিন্তু বিশাল অট্টালিকা সাজিব পাৰোঁ। যিটো হাৰত জনবিস্ফোৰণৰ হৈছে, মানুহ ক'ত থাকিব? এদিন অঘৰী হৈ অনাহাৰে মৃত্যুক আকোঁৱালি লব লাগিব আৰু সেয়া চিৰসত্য, সৃষ্টি হ'লে পতন হবই লাগিব । কিন্তু জীয়াই থকা দিনকেইটা আমি শান্তিৰে জীৱনযাপন কৰিব নোৱাৰোঁ নে ? আনক দেখাবলৈ নগৈ নিজৰ মাজত সন্তুষ্টি লাভ কৰিব নোৱাৰোঁ নে? আমি হিংসা, ঈৰ্ষা বিয়পাব লাগেনে শান্তিসন্তুষ্টি বিয়পাই দিব লাগে? আমি প্ৰেমৰ ধাৰণা নাজানো, প্ৰেমৰ নামত enjoyment হে কৰিব জানো। আজি যিবিলাকে আমোদ প্ৰমোদত মছগুল, সমাজত যিসকলে অন্যায়, অনাচাৰ, অধৰ্ম সিচৰিত কৰি আছে, সেইসকলে কিন্তু জীৱনকালটোত সমস্ত ভোগ কৰি সিপাৰ হব কিন্তু সমস্যা হব চলি থকা প্ৰজন্মটোৰ আৰু আহি থকা প্ৰজন্মটোৰ। আম খাই বাকলিটো এৰি যোৱা অৰ্থটো বুজিছে নিশ্চয়। বৰ্তমানৰ পৃথিৱীখন এটা মস্ত অগ্নিকুণ্ডত ৰূপান্তৰিত হৈছে, সেইবোৰ কথা কোনে কয়? বা সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত কিমানে মাত মাতে? মানুহৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে কিন্তু সেই পৰিমাণে মাটিৰ সংখ্যা বৃদ্ধি হোৱা নাই। এতিয়া ঘৰ সাজিলে হাবি জংঘল ছাফা কৰি ঘৰ সাজিব লাগিব। আৰু হাবি জংঘল ছাফা কৰাৰ পৰিণতি আমি বৰ্তমান হাতেহাতে পাই আছোঁ। কৰ'না মহামাৰী তাৰে জ্বলন্ত উদাহৰণ। কিন্তু আমাক উন্নয়ন লাগে যিকোনো প্ৰকাৰে, উন্নয়নৰ চিন্তাত ইমান অন্ধ নহব যে এদিন নিজৰ মঙহ নিজে কামুৰি খোৱাৰ পৰিস্থিতি উদ্ভৱ হয়। অন্ধ কামনাই মানুহক কেতিয়াও সুপথ নেদেখুৱাই। প্ৰকৃতিৰ কাৰ্য চক্ৰত আমি ইজনে আনজনৰ ওপৰত নিৰ্ভৰশীল যদি সেই চেইনডাল ছিঙি দিয়া যায় তেতিয়া ভাবক আমাৰ কি গতি হব? আপুনি মানৰ হব বিচাৰেনে পিশাচ হব বিচাৰে? পশু এটাই যেতিয়া পোৱালি জন্ম দিয়ে তেতিয়া সি কিমান সময়ত খোজ কাঢ়িব পৰা হয় ? আৰু মানুহে যেতিয়া সন্তান জন্ম দিয়ে তেতিয়া সন্তানটোৱে খোজ কাঢ়িবলৈ কিমান সময় লগাই ? আমি বহুত দুৰ্বল, আমি জংঘলত থাকিব লগা হ'লে আমি কিমান দিন জীয়াই থাকিম । আৰু আমি মুৰ্খ অজ্ঞানীৰ দৰে প্ৰকৃতি ধ্বংসৰ আয়োজন চলাইছোঁ, গছবন কাটি তহিলং কৰিছোঁ। oxygen আৰু কাৰ্বনডাইঅক্সাইড সূত্ৰ আমি নাজানো। কামনাৰ কবলত সকলো জগত ভেজাল খাদ্য আৰু ভেজাল মাতকথাত ব্যস্ত। পৃথিৱীত এতিয়াও ভাল মানুহ আছে নহয় সেই শাৰী বাক্যবাণেৰে আমি শান্তি লওঁ, পৃথিৱী শেষ হোৱাৰ পাছত ভাল মানুহৰ কি কাম? আগতে নিজকে ভাল কৰকচোন। প্ৰতিদিনে কিমান প্ৰজাতি বিলুপ্তি হৈছে আমি খবৰ ৰাখিছোঁ নে? ধেইট বেলেগতহে হৈছে আমাৰ ইয়াত হোৱা নাই নহয়, এনেকুৱা মানসিকতা থাকিলে আমাৰ কি হব? উন্নয়ন নে নিজে নিজৰ ধ্বংস মাতিছোঁ । মনটো শুদ্ধ কৰক সমাজৰ আৱৰ্জনা ছাফা কৰক, সুন্দৰ ঘৰ বনোৱাৰ আগতে মনটো সুন্দৰ কৰক । নিজৰ ঘৰ বনোৱাৰ লগতে প্ৰকৃতিৰ অন্য প্ৰজাতি বোৰৰ বাবেও ঘৰ বনাই দিয়ক, সকলোৱে জীয়াই থকাৰ অধিকাৰ আছে ।

# গভীৰ আস্থাৰ উপসনা

**যমুনা দুলু বৈশ্য,শুৱালকুছি**



আজিও বাজে মনত গুপুতে গুপুতে  
সপ্তসুৰ হৈ গুণ গুণ কৈ  
কাণতে লহৰ তোলে প্ৰবাহিত হৈ ।  
বসন্তৰ বাতৰি দিয়েহি  
সুখৰ নৈত উটিবলৈ  
সংস্পৰ্শৰে তেজ, তেজে তিৰবিৰাই ।  
আপোনত্বৰ বান্ধোন বোৰ ক'ত  
জানো হেৰাই যায় ঐ  
সময়ৰ তাগিদা আছা অচিন দেশত ।  
তোমাৰ স'তে মিতিৰালি পাতি  
বুকু খান্দি পালো লটি -ঘটি,  
পৰম সুখ আছেনো বাৰু ক'ত ?  
তাৰে সন্ধানত কৰিছো,  
গভীৰ আস্থাৰে উপসনা  
সুবৰ্ণ অবিৰাম যাত্ৰা ।

# আৰু এটি বসন্তৰ গান...

**মৃগাংক বৰুৱা, গোলাঘাট**



অজানিতে কিয় জানো  
মাত-কথা, মন-প্ৰাণ  
অজান সুৰ এটি হৈ  
নিবিড় হ'ব খোজে ইমান  
পুনৰ আন এটি বসন্ত  
বুকুত কঢ়িয়াই নিবলৈকে...  
মাথোঁ তুমি মোৰ সুহৃদয় হোৱা  
খুলি দিয়া বন্ধ খিড়িকীখন  
সোমাই আহক অবাধে  
এটি গান...  
সৰি পৰক স্নিগ্ধ জোনটি  
সৰি পৰক গ'লি গ'লি  
টোপাল টোপাল ম'মৰ পোহৰ  
তাৰে পোহৰত পঢ়িম  
বেলিটিৰ দৰে ৰঙা লা এটুকুৰাৰে  
বন্ধ কৰি দিয়া  
একান্ত নীলা শব্দৰ চিঠিখন  
সেই শব্দৰ পৰাই পোখা মেলক  
এটি বসন্তৰ গান  
আৰু এটি বসন্তৰ গান...

চুটিগল্প

# সামাজিক সংযোগ



**সমুজ্জ্বল ডেকা, ৰঙিয়া**

এখন ব্যস্ত চহৰত পিংকী নামৰ এগৰাকী পেছাদাৰী যুৱতীয়ে নিজকে হেৰুৱা আৰু অকলশৰীয়া অনুভৱ কৰিছিল। মানুহে তাইক আগুৰি ধৰিছিল যদিও তাইৰ ব্যস্ততা আৰু ছ'চিয়েল মিডিয়াৰ আকৰ্ষণে তাইক প্ৰকৃত মানৱীয় সংযোগৰ পৰা বিচ্ছিন্ন কৰি পেলাইছিল। এদিন পিংকীৰ ফোনটো মৰি গ'ল আৰু তাই নিজৰ চৌপাশৰ জগতখনৰ লগত জড়িত হ'বলৈ বাধ্য হ'ল। কফি দোকান এখনত ৰাগিনী নামৰ অচিনাকি মানুহ এজনীৰ লগত তাই কথা-বতৰা আৰম্ভ কৰিলে। তেওঁলোকে শিল্প আৰু সংগীতৰ প্ৰতি এক প্ৰেমৰ জোৱাৰৰ উন্মেষ ঘটালে আৰু তেওঁলোকৰ কথা-বতৰাবোৰ অনায়াসে বৈ গ'ল। ৰাগিনীয়ে পিংকীক তেওঁৰ বন্ধু সম্প্ৰদায়ৰ সৈতে চিনাকি কৰাই দিলে আৰু অতি সোনকালেই পিংকীয়ে শিল্প প্ৰদৰ্শনী, কনচাৰ্ট আৰু স্বেচ্ছাসেৱী অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আৰম্ভ কৰিলে। তাইৰ মনত এটা নিজৰ বুলি অনুভৱ হ'ল যিটো তাইক হেৰুৱাই পেলাইছিল। পিংকীয়ে এই নতুন সম্পৰ্কবোৰক লালন-পালন কৰাৰ লগে লগে তাই উপলব্ধি কৰিলে যে প্ৰকৃত সংযোগেই সুখৰ চাবিকাঠি। তাই নিজৰ সামাজিক মাধ্যমত কটোৱাৰ সময় সীমিত কৰি ৰাখিছিল আৰু অৰ্থপূৰ্ণ পাৰস্পৰিক ক্ৰিয়া-কলাপত বিনিয়োগ কৰিছিল; বন্ধুৰ সহায়ক নেটৱৰ্ক গঢ়ি তুলিছিল যিয়ে তাইৰ জীৱনক সমৃদ্ধ কৰিছিল।

পিংকীৰ কাহিনীয়ে এটা সোঁৱৰণী হিচাপে কাম কৰে যে প্ৰকৃত সামাজিক সংযোগৰ বাবে মানুহৰ উপস্থিতি, মত বিনিময় আৰু সম্প্ৰদায়ৰ প্ৰয়োজন।

# হে অনন্ত গতি, হে অনন্ত প্ৰীতি

জ্যোতি খাটনিয়াৰ



জোনাকৰ কোমল পোহৰেৰে চুই থকা পৃথিৱীৰ অৰণ্যৰ গভীৰ নিৰ্জনতাত এজন মানুহে উপলব্ধি কৰিছিল চাৰিটা মহৎ সত্যক। কেউটা কথাই অতি সাধাৰণ- এক, জীৱনত দুখ আছে। দুই, দুখৰ কাৰণ আছে। তিনি, দুখ ৰোধ কৰিব পাৰি। চাৰি, দুখ ৰোধ কৰাৰ উপায় আছে।

এই চাৰিটা মহান সত্য উপলব্ধি কৰা মানুহজনৰ শৰীৰটো দীৰ্ঘদিনৰ কঠোৰ সাধনাৰ অন্তত ইতিমধ্যে প্ৰায় কংকালত পৰিণত হৈছে। এই কংকালসাৰ শৰীৰত অৱস্থান কৰা মনটো ইমানেই শক্তিশালী যে তাক লৈ শংকিত হৈ পৰিছে সকলো লোভ, পাপ, বাসনা, কামনাৰ অধিকাৰী দেৱতা মাৰ। সিদ্ধাৰ্থ গৌতমক, যি অলপ সময়তে সকলো জ্ঞানৰ অধিকাৰী হৈ পৰিব আৰু জগতলৈ অপাৰ বাণী কঢ়িয়াই আনিব, সেইজনাক প্ৰলোভিত কৰিবলৈ মাৰে প্ৰয়োগ কৰিছে তেওঁৰ অসংখ্য মায়াৱী সেনা। আনকি তেওঁৰ লগত আনিছে অপৰিসীম সৌন্দৰ্য্যৰ অধিকাৰিণী অনেক নাৰী। পৰৱৰ্তী কালৰ লেখক সকলৰ মতে সেই সকলোবোৰ তেওঁৰেই কন্যা। এই মাৰ অতীৱ শক্তিশালী। মৃত্যু, পুনৰ জন্ম আৰু আকাংক্ষা মাৰৰ অধীন। জানিবলৈ মন যায়, মানৱ জাতিৰ মহান সন্তান গৌতম বুদ্ধক বাধা দিয়া মাৰ দেখিবলৈ কেনেকুৱা আছিল? বৌদ্ধ চিন্তাত চাৰিগৰাকী মাৰৰ কথা কোৱা হৈছে। ইয়াৰে প্ৰথম গৰাকী ক্লেশ মাৰ। এই মাৰে লোভ আৰু ঘৃণাক বহন কৰে। দ্বিতীয়জনা মাৰ মৃত্যু মাৰ। এই মাৰে মৃত্যুৰ অমোঘ শক্তিক কঢ়িয়াই আনে। তৃতীয়জনা মাৰ স্কন্ধ মাৰ। এই মাৰ আমাৰ অস্তিত্বৰ গোটেই দিশবোৰৰ সৈতে জড়িত। চতুৰ্থজনা মাৰ অতি শক্তিশালী আৰু ভয়ংকৰ। এওঁ আমাৰ ইন্দ্ৰিয়ৰ পৰা উৎপন্ন হোৱা সকলো আসক্তিৰ অধিকাৰী। এওঁৰ লগত ভয়ংকৰ মোহিনী শক্তি আছে। নিশাৰ জ্যোৎস্না প্লাৱিত পৃথিৱীৰ পৰা যেতিয়া সিদ্ধাৰ্থ গৌতম কৰ্মৰ পৰা মুক্ত হ'ব খুজিছিল, তেতিয়া এইজনা মাৰৰ বাধাই আছিল সৰ্বাধিক। ১৩০০ চন সময়ৰ জাপানত ৰচিত হোৱা 'ডেন কৰোকো' (Denkoroko) নামৰ জেন বৌদ্ধ মতবাদৰ উল্লেখযোগ্য গ্ৰন্থখনৰ ৰচয়িতা কেইজান জকিন (Keizan Jokin; ১২৬৮-১৩২৫)ৰ মতে মাৰে ধ্বংসতেই আনন্দ লাভ কৰে। সিংহল দ্বীপৰ থেৰাৱাদী বৌদ্ধ চিন্তাৰ শক্তিশালী দাৰ্শনিক, জাৰ্মানীৰ মূল বাসিন্দা ন্যানপনিকা থেৰা (Nyanaponika Thera; ১৯০১-১৯৯৪)ৰ মতে যিবিলাক শক্তিয়ে মানুহক আলোক প্ৰাপ্তিৰ দিশত বা সেই জোনাক নিশা, আজিৰ পৰা বহু হাজাৰ বছৰ আগেয়ে বুদ্ধৰ যি উপলব্ধি, তাৰ পৰা আমাৰ মনবোৰক, আজিও আঁতৰাই ৰাখিছে, সেই শক্তিৰেই মাৰ একো একোটা বিশেষ ৰূপ। বিপাসনা, য'ত মনৰ ভিতৰৰ শক্তিসমূহক নিয়ন্ত্ৰণ কৰিবলৈ বিশেষভাৱে প্ৰস্তুতি চলোৱা হয়, তাত মাৰৰ সৈতে জড়িত এই কথাকেইটাৰ বিশেষ প্ৰাসংগিকতা আছে। বৌদ্ধ চিন্তাৰ মহাযান পৰম্পৰাত বিপাসনাৰ জৰিয়তে শূণ্যতা আৰু বুদ্ধ- প্ৰকৃতি (Buddha Nature)ৰ মাজলৈ আমি সোমাই যাব পাৰো। বুদ্ধ প্ৰকৃতি বা চেতনাৰ অধিকাৰী হোৱাৰ ক্ষেত্ৰত আমাৰ মনটোক প্ৰধানতঃ বাধা দিয়ে ক্লেশে। ক্লেশ হ'ল উৎকণ্ঠা, ভয়, খং - ৰাগ, ঈৰ্ষা, আকাংক্ষা, হতাশাৰ সৈতে জড়িত মনৰ বিভিন্ন অৱস্থা। ই আমাৰ আৱেগৰ ধ্বংসাত্মক আৰু আমাৰ মনক খেলি মেলি কৰি দিয়া পৰিবেশৰ সৈতে জড়িত। এই ক্ষেত্ৰত সাধাৰণতে ডাঙি ধৰা উদাহৰণটো হ'ল: যিদৰে জোনৰ কোমল, স্নিগ্ধ উজ্জ্বলতাক ডাৱৰে ঢাকি ধৰে, তেনেদৰে বুদ্ধ - প্ৰকৃতিকো তাৰ উজ্জ্বলতা থকা স্বত্তেও ক্লেশে ঢাকি ধৰে। আপোনাৰ মোৰ দৰে সাধাৰণ জীৱই কৰ্মৰ বন্ধন আৰু আকাংক্ষাৰ সীমাহীন গলিত উটি ভাহি ফুৰিব লগাত পৰে। এই বন্ধন দিনক দিনে তীব্ৰ হৈ উঠে। আমাৰ গুৰুজনাৰ ভাষাত আমাৰ অৱস্থা হৈ পৰে অতি মোহ পাশে চ্ছন্ন। এই সকলোবোৰৰ বাবে দায়ী মাৰ। ওপৰত উল্লেখ কৰা কুৰি শতিকাৰ বৌদ্ধ চিন্তাৰ উল্লেখযোগ্য প্ৰবক্তা ন্যানপনিকা থেৰাৰ মতে মাৰ হল The personification of the forces antagonist to enlightenment। জানিবলৈ মন যায় আজিৰ পৰা প্ৰায় ২৪০০ বছৰ আগেয়ে বিহাৰৰ বিশাল অৰণ্যত বুদ্ধ ই দেখা মাৰ কেনে আছিল? একেদৰে, মাৰক জয় কৰা ঠিক পিছত বুদ্ধই কি কৰিছিল? এই দুয়োটা কথাৰ উত্তৰ ভাৰতীয় শিল্পীসকলে তাহানিয়েই দি গৈছে। খ্ৰীষ্টিয় প্ৰথম শতিকাত আজি পাকিস্তানৰ অন্তৰ্গত আৰু ভয়ংকৰভাৱে অশান্ত অঞ্চল খাইবাৰ পাখটুন (যাক এতিয়া স্বাত উপত্যকা বুলি কোৱা হয়) ত নিৰ্মাণ হোৱা এটা মাৰৰ মূৰ্তি আছে। গান্ধাৰ শিল্পৰ অন্তৰ্গত এই মূৰ্তিটোত গ্ৰীক শিল্পৰ কৌশল, যি আলেকজেণ্ডাৰৰ ভাৰত আক্ৰমণৰ পিছত শিল্পীসকলে আয়ত্ব কৰিছিল আৰু ভাৰতীয় চেতনাৰ উপলব্ধি একেলগে সংৰক্ষিত হৈছিল। মাৰৰ এই মুখখন শক্তিশালী আৰু দমনমূলক। এই মুখত একেসময়তে এই উৎকণ্ঠাও আছে। কাৰণ, নিশাৰ জোনাক ভৰা পৃথিৱীত যেতিয়া এজন তেজ মঙহৰ মানুহে কৰ্মৰ সকলো বন্ধনৰ পৰা মুক্ত হৈ যাব আৰু মাৰৰ ৰাজত্বলৈ পোনপটীয়া প্ৰত্যাহ্বান জনাব, তেতিয়া কিন্তু মাৰ উৎকণ্ঠিত হোৱাই স্বভাৱিক। আনক ভয় দেখুৱাৰ সকলো ইচ্ছা মাৰৰ এই তাহানি প্ৰতিকৃতিত আছে; একেসময়তে মাৰৰ নিজৰ মনটো কিন্তু ভয়ত দৰু দুৰুকৈ কঁপিছে। ভাৰতৰেই আন এক অঞ্চল অমৰাৱতিত খ্ৰীষ্টিয় তৃতীয় শতিকাত নিৰ্মাণ কৰা মাৰৰ অসংখ্য সেনা আৰু মোহিনী বানৰ নানা ৰূপ সংৰক্ষিত হৈ আছে। এই প্ৰত্যেকটো ৰূপেই দৰাচলতে আমাৰ মনত চলি থকা নিৰন্তৰ কুৰুক্ষেত্ৰৰ একো একোটা প্ৰতীক।

মাৰক জয় কৰিয়েই বুদ্ধই অসাধাৰণ শক্তি লাভ কৰিছে। স্থিতপ্ৰজ্ঞ মানুহজনাই কিন্তু এই প্ৰজ্ঞাৰ পিছতো পৃথিৱীক পাহৰি নগ'ল। তেওঁ মাৰক যে জয় কৰিলে, তাক পৃথিৱীবাসীৰ বাবে জনাই থৈ গ'ল। ভাৰতীয় শিল্পীসকলে বুদ্ধৰ এই পৃথিৱীক স্পৰ্শ কৰা মূহুৰ্তক অতি সযতনেৰে ধৰি ৰাখিছে। ইয়াত ভগৱান বুদ্ধক তেওঁৰ সোঁহাতখনেৰে পৃথিৱী স্পৰ্শ কৰি থকা দেখা গৈছে। ইয়াক ভূমিস্পৰ্শ মুদ্ৰা বুলি কোৱা হয়। পৃথিৱীৰ কেইবাটাও আগশাৰীৰ মিউজিয়ামত বুদ্ধৰ এনে প্ৰতিমূৰ্তি সংৰক্ষিত হৈ আছে । যেনে, ফিলাদেলফিয়া মিউজিয়াম অৱ আৰ্ট। নৱম শতিকাৰ পাল বংশৰ মূৰ্তি, গুপ্ত যুগৰ মূৰ্তি- এক মূৰ্তিবোৰে ভাৰতীয় শিল্পৰ কল্পনা প্ৰৱণতাক বিশেষভাৱে প্ৰতিফলিত কৰিছে। কোনোটো মূৰ্তিত বুদ্ধৰ মূৰটো দো খাই আছে। আৰু কোনোটো মূৰ্তিত বুদ্ধই মূৰটো পোন কৰি ৰাখিছে। ইয়াৰ কেইবাটাও তাৎপৰ্য আছে। এটা হ'ল যে, পৃথিৱীৰ মমতা আৰু পৃথিৱীৰ উদাৰতাক বুদ্ধই পাহৰি যোৱা নাই। দৰাচলতে জাগতিক প্ৰলোভনৰ ওপৰত আত্মাৰ বিজয়ক ভাৰতীয় শিল্পীসকলে বুদ্ধৰ এই ভূমিস্পৰ্শ মুদ্ৰাৰ যোগেদি পৰৱৰ্তী দিনৰ বাবে ৰাখি গ'ল। জ্ঞানৰ নিৰ্মল আলোকত উজ্জীৱিত বুদ্ধৰ মনটোৱে পৃথিৱীৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। কবিৰ ভাষাত ক'বলৈ গ'লে, বুদ্ধৰ মনটোত যেন আন্দোলিত হৈছে এই ভাৱ : "মেলিলোঁ প্ৰথম চকু তোমাৰ কোলাতে আই/জনমৰ আদিম পুৱাত;/ মুদিম আকৌ চকু তোমাৰ কোলাতে শুই/জীৱনৰ শেষ সন্ধিয়াত। "

ভাবি ভাল লাগে, মাৰ দেৱতাৰ অসাধাৰণ সৌন্দৰ্য্যৰ অধিকাৰীণী কন্যা- তানহা, আৰতি আৰু ৰাগাক নিমিষতে বতাহে কপাহ আঁতৰাই পঠিওৱাৰ দৰে পঠিওৱা মানুহজনে পৃথিৱীৰ মমতা আৰু শক্তিক আঁতৰাই পঠিওৱা নাই। আৱেগৰ সম্পূৰ্ণ শাসন আৰু সত্যৰ অবিৰাম ধ্যানে তেওঁৰ মনটোক অহৰহ কৃতজ্ঞ কৰি ৰাখিছে। পৰৱৰ্তী সময়ৰ বুদ্ধৰ প্ৰত্যেক কাৰ্য্যই ইয়াকেই প্ৰমাণ কৰিছে যে নিৰ্বাণ লাভ কৰা ব্যক্তি নিষ্ক্ৰিয় হৈ থকা উচিত নহয়। নিৰ্বাণৰ অৰ্থ জীৱনৰ সমাপ্তি নহয়। নিৰ্বাণৰ অৰ্থ মানৱ কল্যাণ। দুখৰ শিকলিত থকা ১২টা সংযোজকক বৌদ্ধসকলে নাম দিছে দ্বাদশনিদান বা ভাৱ চক্ৰ। এই শিকলি চিঙি আগুৱাই যাবলৈ মানৱ আত্মাক অনুপ্ৰাণিত কৰাই বুদ্ধৰ কাম। আদিগুৰু শংকৰাচাৰ্যই কৈছিল যে ব্ৰহ্ম সত্য জগৎ মিথ্যা। এই উপলব্ধিৰ পিছতো শংকৰাচাৰ্য কৰ্ম বিমুখ হোৱা নাই। সমাজৰ প্ৰতিজন নিঃস্ব ব্যক্তিক অৰ্থপূৰ্ণ জীৱন প্ৰদান কৰাই বৌদ্ধ চেতনাৰ প্ৰধান দিশ। বৌদ্ধ চেতনাৰ ব্যাপ্তি আৰু গভীৰতা ভাৰতীয় চেতনাত ইমানেই শক্তিশালী যে ই আত্মাৰ যথাৰ্থতা, ভাষাৰ সীমাবদ্ধতা আনকি ৰাজতন্ত্ৰৰ স্বৰূপকো জোকাৰি গৈছে। প্ৰখ্যাত ভাৰতীয় দাৰ্শনিক জিতেন্দ্ৰনাথ মহান্তি (১৯২৮-২০২৩) ৰ মতে : "The Buddhist philosophers rejected the belief in an imperishable self, they rejected the naive realism about the external world, they rejected the power of language to mirror reality, they rejected the efficacy of ritualistic actions and by implication, the authority of the Vedas and not an unimportant revolution, they rejected the divine origin of monarchy." বৌদ্ধ চিন্তাই আমাৰ মনৰ জগতখনক নানা ভাগত ভাগ কৰি লৈছে। তাহানি গান্ধাৰৰ বাসিন্দা আৰু নালন্দাৰ মহান শিক্ষক বসুবন্ধু (চতুৰ্থ - পঞ্চম শতিকা) ৱে আলয় বিজ্ঞানৰ জৰিয়তে মানুহৰ মন বা সচেতনতাৰ বিষয়ে বিস্তৃতভাৱে কৰা বিশ্লেষণ জ্ঞান চৰ্চাৰ আন এটা দিশ। আমাৰ মনটো ভঁৰালৰ দৰে। কামনা, বাসনাৰ অন্তহীন ক্ৰিয়া - প্ৰতিক্ৰিয়াই আমাক গঢ় দিয়ে। ইয়াতেই সক্ৰিয় হৈ থাকে আমাৰ অতীতৰ অভিজ্ঞতা। নানান অভিজ্ঞতাক আলোকৰ জৰিয়তে পৰীক্ষা নিৰীক্ষা কৰি চোৱাৰ বাবে বুদ্ধই প্ৰেৰণা দি হৈছে। এজন সাধাৰণ মানুহ হিচাপে, একবিংশ শতিকাৰ এই সময়ছোৱাত আমাৰ আকৌ জানিবলৈ মন যায়, বুদ্ধক লগ পোৱাৰ পিছত বাসনাৰ দেৱতা মাৰৰ কি হ'ল? বুদ্ধৰ সন্মুখত শিৰ নত কৰি মাৰে ধৰ্মৰ কোনো দিনে অহিত সাধন নকৰে বুলি প্ৰতিজ্ঞাবদ্ধ হল। তেওঁ আশ্ৰয় ল'লে সংস্কৃত ভাষাত কোৱা, ত্ৰিৰত্নৰ ওচৰত - বুদ্ধ, ধৰ্ম আৰু সংঘ। গান্ধাৰৰ তাহানিৰ খ্ৰীষ্টিয় দ্বিতীয় শতিকাৰ সেই ভাৰতীয় শিল্পীসকলে এই ত্ৰিৰত্নক অপূৰ্ব প্ৰতিভাৰে শিলত কাটি থৈ গৈছে। এই মূৰ্তি সংৰক্ষিত হৈ আছে বাৰ্লিনৰ মিউজিয়ামত (Ethnological Museum of Berlin)। বাসনাক অতিক্ৰম কৰি আত্মাক মহত্ব আৰু ন্যায় দিয়াটোৱেই যেন বৌদ্ধ, বৌদ্ধ চেতনাৰ সৈতে জড়িত অনেক দাৰ্শনিক তথা প্ৰচাৰক আৰু ভাৰতীয় শিল্পীসকলৰ একমাত্ৰ উদ্দেশ্য আছিল। "অতি মোহপাশে চ্ছন্ন" - জীৱনৰ পৰা নিৰাসক্ত জীৱনলৈ গতি কৰাই বৌদ্ধ ধৰ্মৰ মূল কথা। এয়াই গীতাৰো বাণী।

# নিসংগতা

বিপ্লৱ শৰ্মা



অনুভৱ কৰিছে নে আপুনি ? ভাল পাই নে আপুনি অকলে থাকি? কেতিয়াবা ৰাতি অকলশৰে ৰে'ল ষ্টেচনত বহি হাতত চাহ একাপ লৈ এখন এখন কৈ পাৰ হৈ যোৱা ৰে'ল বোৰ চাই চাই ভৱিষ্যতৰ চিন্তাত মগ্ন হৈ পাইছে নে ? নদীৰ পাৰত অকলে বহি নিজৰ সুখ দুখ গণনা কৰি পাইছে নে? কেতিয়াবা কেতিয়াবা এই ব্যস্ত পৃথিৱীখনৰ পৰা অকণমান আঁতৰি আহি অকলশৰেয়াকৈ নিজৰ মনটোৰ লগত কথা পাতি পাইছে নে ?

আচলতে কেতিয়াবা আমি সকলো পাইয়ো সুখী হব নোৱাৰোঁ কাৰণ আমি প্ৰাইভাগ কাম আনক অনুকৰণ কৰি কৰিবলৈ বিচাৰোঁ। আমি আমাৰ মনটোক কেতিয়াবা সুধি পাইছোঁ নে সি কি বিচাৰে ? এই পৃথিৱীত সুখী হবলৈ হলে আনক অনুকৰণ কৰাৰ আগতে নিজৰ মনটোক প্ৰথমে বুজিব লাগিব। লক্ষ্য কৰিব আমাৰ জীৱনবোৰ দিনক দিনে ব্যস্ততাপূৰ্ণ হৈ গৈ আছে আৰু আমি কৰবাত নহয় কৰবাত নিজক হেৰুৱাই পেলাইছো এই ব্যস্ততাবোৰৰ মাজত। নিজক সুখী কৰিবলৈ হলে কেতিয়াবা কেতিয়াবা অকলশৰেয়াকৈ থকাৰ প্ৰয়োজনীয়তা আছে। মনটোক সুখী কৰিব পাৰিলে হে আমি সুখী হব পাৰিম।

ব্যক্তিগত অনুভৱৰ প্ৰকাশ মাথোঁ এইয়া মোৰ।
নিৰ্জনতা আৰু নীসংগতা এতিয়া মোৰ প্ৰিয়।

অণুগল্প-

## মাননি

বিভা মহন্ত, নগাওঁ

নিষিদ্ধ কোঠাটোত তাই পাই চাৰি কৰি থাকোতেই এজন ভদ্ৰ লোক সোমাই আহি ক'লে- তোক কিমান টকাৰ মাননি দিম! এহেজাৰ, দুহেজাৰ, পাঁচ হেজাৰ? তাই খং আৰু ক্ষোভত উত্তৰ দিলে, আপুনি এটকাও দিব নালাগে। মোৰ টকাৰ প্ৰয়োজন চাৰিটা পেটৰ বাবে আৰু আপোনাৰ টকাৰ প্ৰয়োজন ক্ষুধা নিবাৰণৰ বাবে।
ওলাই যাওঁক ইয়াৰ পৰা বুলি কৈ তাই হুক হুকাই কান্দিলে।

# ব্যস্ত সময় বনাম আজৰি সময়

বৰ্তমানৰ সন্তানৰ হাতত জানো সময় আছে? যিটো বয়সত নাতি-নাতিনীহতঁৰ লগত ওমলি আনন্দ মনেৰে থাকিব লাগে, সেই বসয়ত যেন নাতি-নাতিনীহতঁৰো সময়ৰ অভাৱ। এক মিনিটৰ আহৰি নাই, বিদ্যায়ৰ পৰা আহি যিখিনি সময় ৰয় সেইখিনি সময়ো ল'ৰা-ছোৱালীক আধুনিক অভিভাৱকে হয়তো টিউচন নহ'লে গেমৰ এপটো অন কৰি দিয়ে। শাৰীৰিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি যে ঘৰৰ বাহিৰত সমনীয়াৰ সৈতে খেল - ধেমালি কৰিবলৈ দিব, তাকো নিদিয়ে।

এই ২৪ ঘণ্টীয়া সময়তে এফালে ঐকান্তিক অধ্যয়ন তথা অনুশীলনৰ দ্বাৰাই দেশত বিশ্ব বিশ্ৰুত পণ্ডিতৰ জন্ম হৈছে, কিছুলোকে মহাকাশত বিচৰণ কৰিছে যদি আন কিছুলোকে সমুদ্ৰৰ তলিৰ গভীৰতাৰ উমান লৈছে। কিছুলোকৰ বাবে ২৪ ঘণ্টা আশীৰ্বাদ আন কিছুমানৰ বাবে যেন অভিশাপ।

সময়ৰ অভাৱৰ বাবে এচাম ছাত্ৰ- ছাত্ৰীৰ পৰীক্ষাৰ বহী আধাতে উকা হৈ পৰে। আন এচামে আকৌ নিৰ্দিষ্ট সময়ৰ ভিতৰতেই স্থান দখল কৰিবলৈ সক্ষম হয়। আচৰিত লাগে কেতিয়াবা কথাবোৰ ভাবিলে যে আমি সময়ৰ সদ্ ব্যৱহাৰৰ ক্ষেত্ৰত কিমান দুৰ্বল হৈ আছো।

দৰাচলতে আমি সময়ৰ মূল্য বুজি নাপাও। আমি কেৱল জীৱনটো সময়ৰ পাকচক্ৰতে অতিবাহিত কৰি আছো। নিৰ্দিষ্ট নিয়মাৱলী অনুসৰণ কৰি সময়ৰ সদ্ ব্যৱহাৰৰ প্ৰতি সজাগ নহও বা ইয়াৰ গুৰুত্বৰ প্ৰতিও সচেতনতা অৱলম্বন নকৰোঁ। যাৰ বাবে আমাৰ এই সমস্যা । এক মিনিটৰ বাবে যেতিয়া কোনো যাত্ৰীয়ে ট্ৰেইন এখন মিছ কৰে, তেতিয়া ঘণ্টাৰ পাছত ঘণ্টা অপেক্ষাৰত সেইজন যাত্ৰীক এবাৰ সুধিব, সময়ৰ মূল্য কিমান...? তেওঁ উদঙাই ক'ব সময়ৰ জীয়া গল্প।

সময় ওকলি যোৱাৰ পিছত অনুশোচনাৰ কোলত শুই গ'লেও দুনাই ঘূৰাই আনিব নোৱাৰি পাৰ হৈ যোৱা সোণোৱালী ক্ষণ ।

আচলতে আমি বেছিভাগেই সময়মতে কাম নকৰোঁ। ইয়াৰ কাৰণ কিছু ইচ্ছাকৃত হ'লেও এলাহ বা আৰ্জিত কাৰণেই অনেক। বৰ্তমান চিকিৎসালয়বোৰতো দেখা যায় ডাক্তৰ -নাৰ্চ, ৰোগীৰ অভিভাৱকৰ সময়ৰ আদ্যশ্ৰাদ্ধ কৰা ঘটনাবোৰ। ছিৰিয়াছ কণ্ডিচনৰ ৰুগীৰ দৰৰ পাতি কিনিবলৈ গ'লেও পাৰাপাৰহীন শাৰীত থিয় হৈ থাকিবলগীয়া হয়। মানৱতাৰ খাতিৰত আমি কোনোবাই দিওনে সেইজন লোকক ফাষ্ট চাঞ্চ? নাই নিদিও, পাৰিলে দাঠি কাজিয়া কৰাহে পৰিলক্ষিত হয়।

সেইদৰে, ট্ৰেফিকজামত এম্বুলেন্স এখনক পথ মুকলি কৰি দিও কিমানজনে? সকলোৰে সময় যেন অমূল্য, সকলোৱে আগত যাবলৈ বিচাৰে কিন্তু এম্বুলেন্সৰ ভিতৰত থকা ৰোগী অথবা তেওঁৰ পৰিয়ালে বুজে সময়ৰ মূল্য কিমান।

গতিকে, সময় থাকোতেই আপোনজনক এবাৰ মৰমেৰে মাত দিয়ক। আমাৰ সমস্যা এইটো নহয় যে আমি সময় নাপাও, প্ৰকৃতাৰ্থত আমাৰ ঘাই সমস্যা হৈছে সময়সূচী নিৰ্ধাৰণ নকৰাটোহে। সেয়েহে উশাহবোৰ শেষ নিশাহ হোৱাৰ আগতেই আপোনত্বৰ একাকীত্ব জীৱনটোক অলপ সময় দি হ'লেও সুখৰ বন্যা বোৱাই দিওক। নিজৰ লগতে সকলোৰে সময়ৰ মূল্য বুজিবলৈ প্ৰয়াস কৰা উচিত।

কবিৰ দাসে কোৱাৰ দৰেই " কাল কৰে সো আজ কৰ, আজ কৰে সো অব। পল মে পৰলয় হোয়েগী, বহুৰি কৰেগা কব।" অৰ্থাৎ সময়ৰ কাম সময়তেই কৰিব লাগে, সময় উকলি যোৱাৰ পিছত অনুশোচনাত দগ্ধ হ'লেও একো লাভ নহ'ব। সময় গৈ থাকিব নিৰন্তৰ কেৱল আমি হেৰাই যাম সময়ৰ সোঁতত।

# ৰঙা ডাক- বাকচ

ইভা গন্ধীয়া ফুকন




তিনিআলি চাৰিআলিৰ ৰাস্তাৰ কাষত
মলিয়ন অৱহেলিত কোনোমতে পৰি নোযোৱা
এসময়ৰ অতি আদৰৰ ৰঙা ডাক- বাকচ
ৰঙা ডাক- বাকচৰ আজিৰ এই বিলৈ দেখি মন হয় ব্যাকুল
পুৱাৰ পৰা ৰাতিলৈকে
দুখৰ সুখৰ বাৰ্তাৰ চিঠি- পত্ৰৰে গৰ্ভৱতী হোৱা
ৰঙা ডাক -বাকচ
পুৱাবেলাতে ডাকোৱালে গৰ্ভপাত কৰা
ৰঙা ডাক- বাকচ
সপ্তাহ -দহদিন, মাহ -পযেকৰ অন্তত ডাকোৱালে দিয়া
ইংলেণ্ড লেটাৰ, লেফাফা চিঠিৰ মাজৰ
প্ৰাণৰ আকুলতাৰে ভৰা
মৰম - চেনেহ, প্ৰেম -ভালপোৱা,
আৱেগ - অনুভূতি, দুখ- সুখৰ বাৰ্তাৰ আমেজ
আজিৰ প্ৰজন্মই বুজিব জানো পাৰিব
ধূসৰ সেই পৃষ্ঠা
একবিংশ শতিকাৰ বিজ্ঞানৰ চমকপ্ৰদ প্ৰভাৱ
স্পীডপোষ্ট, ডি টি ডি চি আদি
ভাগে ভাগে আছে অনলাইন কুৰিয়াৰ সেৱা
টোপোলা ভৰাই মৰম চেনেহৰ ভাৱ বৈ
টিলিঙা বজাই বাইচাইকেলত নাহে ডাকোৱাল ককাই
পুৰণিয়ে নতুনক দিলে বাট এৰি
আহে ফোন কল, এছ এম এছ
ফোন কৰি কুৰিয়াৰ কৰ্মীয়ে
বাইক- স্কুটিত আহি দি যায় হেঁপাহৰ টোপোলা
সময়ৰ বলুকাত ৰঙা ডাক বাকচৰ চিহ্ন
ডাক বিভাগৰ পৃষ্ঠা লুটিয়ালে
নিশ্চয় থাকিব জিলিকি !!

# সেউজীয়া ভাষা

সংগীতা ডেকা, ৰঙিয়া



কাগজৰ মিঠা মিঠা ভাঁজে ভাঁজে
এজাক কবিতাৰ বৰষুণ
যাৰ টোপালবোৰত জীপাল হয়
এআকাশ সেমেকা উশাহৰ
সেউজীয়া ভাষা
চিএগ্ৰহীৰ ৰন্ধ্ৰে ৰন্ধ্ৰে, জাগ্ৰত আজি
অনুভৱৰ বন্ধ পেৰাটো
এবাৰ শুনি চাব নেকি
মৌন মুহূৰ্ত্তৰ, সেই শব্দ সনা কৰণিক
যদি শুনিব খোজে ?

# প্ৰায়োগিক গণিতজ্ঞ এৰিষ্ট'টল

**বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও**

গ্ৰীচ দেশৰ ষ্টাগিৰা নামৰ চহৰত খ্ৰীষ্টপূৰ্ব ৩৮৪ ত এৰিষ্ট'টলৰ জন্ম হৈছিল। খ্ৰীষ্টপূৰ্ব মানে যীশুখ্ৰীষ্টৰ জন্মৰ আগৰ। অৰ্থাৎ যীশুখ্ৰীষ্টৰ জন্মৰ ৩৮৪ বছৰ আগতে এৰিষ্ট'টলৰ জন্ম হৈছিল। তেওঁ অতি মেধাৱী আৰু কঠোৰ পৰিশ্ৰমী ল'ৰা আছিল। তেওঁৰ পিতৃ আছিল নিকোমেচাচ। তেওঁ ইউৰোপৰ গ্ৰীচ দেশৰ ৰাজ্য মেচিডনৰ ৰজা এমিণ্টাচৰ ব্যক্তিগত চিকিৎসক আছিল। এমিণ্টাচ আছিল বিশ্ব বিখ্যাত বীৰ আলেকজেণ্ডাৰৰ ককাক। এৰিষ্ট'টলৰ মাকৰ নাম আছিল ফিষ্টিয়াচ। সৰুতেই দেউতাক ঢুকুৱাত মাক ফিষ্টিয়াচেই এৰিষ্ট'টলক ডাঙৰ কৰে আৰু দেউতাকৰ দৰেই এজন নাম জ্বলা ডাক্তৰ হোৱাতো কামনা কৰিছিল। তেওঁ প্ৰাথমিক শিক্ষা ঘৰতে মাক -দেউতাক আৰু গৃহ শিক্ষকৰ পৰা গ্ৰহণ কৰে। ওঠৰ বছৰ বয়সত মাকে তেওঁক গ্ৰীচৰ ৰাজধানী এথেন্সলৈ পঠায়। এথেন্সত সকলো বিষয় অধ্যয়নৰ সুবিধা আছিল আৰু বিশ্বৰ বিদগ্ধ পণ্ডিত সকলো তাতেই আছিল। তাত তেওঁ গ্ৰীচৰ সুবিখ্যাত দাৰ্শনিক প্লেটোৰ প্ৰিয় শিষ্য হৈ পৰে। এৰিষ্ট'টলে এথেন্স বিশ্ববিদ্যালয়ত প্লেটোৰ লগত সুদীৰ্ঘ কুৰি (২০) বছৰ কাল থাকি দৰ্শনৰ নানা শাস্ত্ৰ অধ্যয়ন কৰাৰ লগতে আন আন বিষয়সমূহ যেনে সাহিত্য, ৰাজনীতি, গণিত, জ্যোতিৰ্বিদ্যা, উদ্ভিদ বিদ্যা, প্ৰাণীবিদ্যা, সমুদ্ৰ বিজ্ঞানৰ আৰু চিকিৎসা বিজ্ঞানো অধ্যয়ন কৰিছিল। তেওঁ বিজ্ঞান আৰু দৰ্শনত অগাধ পাণ্ডিত্যৰ পৰিচয় দি গৈছে। এথেন্সত তেওঁ এটা 'ভ্ৰাম্যমাণ দৰ্শন বিদ্যালয়' স্থাপন কৰিছিল।

প্লেটোৰ মৃত্যুৰ পিছত এৰিষ্ট'টলে এথেন্স ত্যাগ কৰে। তাৰ পাছত তেওঁ পাৰস্যৰ যুৱৰাজ হাৰমিয়াচে এচিয়া মাইনৰৰ ওচৰত পাতি লোৱা ৰাজ্যতে থাকিবলৈ লয়। যুৱৰাজে এৰিষ্ট'টলক নিজ দৰবাৰত ৰখাৰ উপৰিও ৰাজপৰিয়ালৰ এগৰাকী কন্যা তেওঁলৈ বিয়া দিয়ে।

এচিয়া মাইনৰ সমুদ্ৰ পাৰৰ দেশ আছিল। এৰিষ্ট'টলে সেই সময়তে সামুদ্ৰিক জীৱৰ বিষয়ে গৱেষণা আৰম্ভ কৰে। তেওঁ গৱেষণা কৰা জীৱ সমূহৰ ভিতৰত 'কেট- ফিচ', ইলেকট্ৰিক এল', এংগেলাৰ ফিচ ', অক্টোপাচ, ডগ ফিচ আদিয়েই প্ৰধান। তেওঁ বহুতো পুথি ৰচনা কৰিছিল। কিন্তু বেছিভাগ পুথিয়েই সংৰক্ষণ কৰিব পৰা নাছিল। এৰিষ্ট'টলে বিশ্বাস কৰিছিল যে পদাৰ্থ বিজ্ঞান আৰু আধ্যাত্মবিদ্যা (metaphysics)ৰ মাজতেই গণিতৰ স্থান। তেওঁৰ গণিত চৰ্চাৰ মূখ্য উদ্দেশ্য আছিল পদাৰ্থ বিজ্ঞানত কেনেকৈ গণিত ব্যৱহাৰ কৰিব পাৰি সেইবিষয়ে চিন্তা চৰ্চা কৰা। গণিত সম্বন্ধীয় তেওঁৰ দুখন উল্লেখযোগ্য পুথি হৈছে বলবিজ্ঞানৰ সমস্যা (mechanical problems) আৰু আনখন হৈছে ৰেখাৰ অবিভাজ্যতা (indivisibility of lines)। সম্পাদনা ৰূপত দুয়োখন পুথি ছপা কৰি উলিওৱা হৈছে। এই দিশৰ পৰা এৰিষ্ট'টলক এজন প্ৰায়োগিক গণিতজ্ঞ (applied mathematician) হিচাপে আখ্যা দিছে। এৰিষ্ট'টলৰ আগত চিত্ৰ থকা কোনো পাঠ্যপুথি নাছিল। এৰিষ্ট'টলেই পোণ প্ৰথমে চিত্ৰযুক্ত পাঠ্য পুথি লিখিবলৈ আৰম্ভ কৰে। তেওঁ বুজিছিল যে বিজ্ঞানৰ কথাবোৰ চিত্ৰৰ সহায়ত ব্যাখ্যা নকৰিলে আনে বুজি পোৱাটো কঠিন হৈ পৰে। এৰিষ্ট'টলৰ আগলৈকে পাটীগণিত (arithmetic) আৰু জ্যামিতিৰ অধ্যয়ন বেলেগ বেলেগ হোৱা নাছিল। এৰিষ্ট'টলে এই বিষয় দুটাৰ স্বকীয় বৈশিষ্ট্য আৰু লক্ষণসমূহ আঙুলিয়াই দি পৃথকে পৃথকে অধ্যয়ন কৰাত গুৰুত্ব আৰোপ কৰে। আধুনিক গণিতৰ অতি গুৰুত্বপূৰ্ণ ধাৰণা অবিচ্ছিন্নতা (continuity) ৰ এটা গাণিতিক সংজ্ঞা দিবলৈ এৰিষ্ট'টলেই সৰ্বপ্ৰথমে চেষ্টা কৰিছিল।

ইপিনে গ্ৰীকৰাজ এমিণ্টাচৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ ফিলিপ মেচিডনৰ ৰজা হয়। খৃঃ পূঃ ৩৪২ ত ফিলিপে তেওঁৰ পুত্ৰ আলেকজেণ্ডাৰক এৰিষ্ট'টলৰ ওচৰত শিক্ষা লাভ কৰিবলৈ পঠায়। আলেকজেণ্ডাৰে এৰিষ্ট'টলৰ লগত সাত বছৰ শিক্ষা গ্ৰহণ কৰাৰ পাছত ২১ বছৰ বয়সত মেচিডনৰ ৰজা হয়। সেই সময়তে এৰিষ্ট'টলো এথেন্সলৈ উভতি আহি নতুনকৈ স্কুল স্থাপন কৰে। এথেন্সত প্ৰায় তেৰ বছৰ কাল কাম কৰে। তেওঁ জীৱতত্ব বিষয়ক বহু কিতাপ লিখে। গণিত



আৰু বিজ্ঞানৰ বুৰঞ্জী প্ৰণয়নত এৰিষ্ট'টল বৰ আগ্ৰহী আছিল। সেয়ে তেওঁৰ কেইবাজনো বিখ্যাত ছাত্ৰই সেই সময়লৈকে হোৱা গণিতৰ ক্ৰমবিকাশৰ বুৰঞ্জী প্ৰণয়ণ কৰিছিল।

এৰিষ্ট'টলে সৰ্বমুঠ ৫২০ প্ৰকাৰৰ বিভিন্ন জন্তুৰ বিৱৰণী লিখিছিল। তেওঁ নানা প্ৰাণী আৰু উদ্ভিদৰ ওপৰত পৰীক্ষা নিৰীক্ষা চলাইছিল, এইবোৰৰ গঠন আৰু প্ৰজনন কৌশল অধ্যয়ন কৰিছিল। ইয়াৰ আধাৰত প্ৰাণী সমূহৰ মাজত শ্ৰেণী বিভাজন কৰিছিল। এই বিষয়ৰ উল্লেখযোগ্য পুথি খন হৈছে 'হিষ্টোৰিয়া এনিমিলিয়াম'। এৰিষ্ট'টলক জীৱ-বিজ্ঞানৰ পোন প্ৰথম বুনিয়াদ গঠন কৰোঁতা বুলি ক'ব পাৰি। আলেকজেণ্ডাৰৰ মৃত্যুৰ আগে আগে এথেন্স শত্ৰুৱে আক্ৰমণ কৰাত এৰিষ্ট'টলে ইউবিয়ালৈ পলাই যায়। ৬২ বছৰ বয়সত ইউবিয়া চহৰত এই গৰাকী মহান বিজ্ঞানীয়ে ইহলীলা সম্বৰণ কৰে।

# মানুহৰ ওজন বাঢ়িলে সন্মানো অধিক বিচাৰে




**চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি**

যেতিয়া এজন মানুহ অসহায় অৱস্থাত থাকে ঠিক তেতিয়া মানুহে নিজা আশ্ৰয় থলি বিচাৰে। আৰু হালে হালে কৰি ব্যক্তি এজন যেতিয়া সমৃদ্ধিশালী হৈ পৰে ঠিক তেতিয়া মানুহবোৰে সন্মান আয়ত্ত কৰিবলৈ অগ্ৰসৰ হোৱা দেখা যায়। অৰ্থাৎ ধন-সম্পত্তি নাথাকিলে মানুহে ধন-সম্পত্তিবোৰ সংগ্ৰহ কৰিবলৈ ব্যাকুল হৈ পৰা দেখা যায়। আৰু যেতিয়াই মানুহে ধন-সম্পত্তিবোৰৰ জৰিয়তে পৰিপূৰ্ণ হৈ পৰে তেন্তে তেতিয়া মানুহে নিজৰ মান-সন্মান বৃদ্ধি কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা দেখা যায়। মই কোৱা কথাষাৰৰ প্ৰকৃত তাৎপৰ্য এইটোৱে যে, মানুহৰ ওজন বাঢ়িলে সন্মানো অধিক বিচাৰে।

মান-সন্মান, পদ-প্ৰতিষ্ঠা এই সংসাৰত বসবাস কৰা সুস্থ সবল সকলোবোৰ মানুহৰে অতিকৈ প্ৰিয় বুলি ক'লেও ভুল নহ'ব। সকলোবোৰ মানুহে নিজ নিজ সমাজত প্ৰতিষ্ঠিত হৈ সন্মানিত হোৱাৰ মনসা অন্তৰত ঘৰ কৰি থাকে। এইটো একেবাৰে মানুহৰ স্বতস্ফূৰ্ত প্ৰবৃত্তি বুলি ক'ব পাৰি। এজন মগনীয়া মানুহৰ পৰা আৰম্ভ কৰি একেবাৰে সফলতাৰ শিখৰত উপনীত হোৱা মানুহবো নিজ নিজ দিশত সন্মানিত হোৱাৰ অত্যন্ত বাসনায়ে ঘৰ কৰি থাকে। এইখিনিতে কথা এটা উল্লেখ কৰি দিওঁ যে, কেৱল অজস্ৰ পৰিমাণে ধন, সম্পত্তি আয়ত্ত কৰিলেও হয়তো কোনো এজন ব্যক্তি নিজ নিজ সমাজত সন্মানিয় পাত্ৰ ৰূপে পৰিগণিত নহ'বও পাৰে। সেয়েহে বেচিভাগ ক্ষেত্ৰতে অজস্ৰ পৰিমাণে ধন সম্পত্তি আয়ত্ত কৰাৰ পিছত তেনেধৰণৰ ব্যক্তিসকলে অত্যধিক ৰূপত মান, সন্মান, পদ-প্ৰতিষ্ঠা আয়ত্ত কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা দেখা যায়। কাৰণ ধন-সম্পত্তি জৰিয়তে উৎপন্ন হোৱা শাৰীৰিক গৰমৰ পৰিমাণ জোখতকৈ বেছি হোৱা পৰিলক্ষিত হয়। হ'ব পাৰে ধন সম্পত্তি আয়ত্ত কৰাৰ লগে লগে বৰ্তমান সময়ত সমাজত তেওঁৰ স্থান আনতকৈ কিছু পৃথক হোৱা পৰিলক্ষিত হয়। তথাপিও মান সন্মান প্ৰদান কৰা কাৰ্যটো মানুহৰ এক আন্তৰিক গতিবিধি। সেয়েহে ধন সম্পত্তিৰ জৰিয়তে সমাজৰ অন্যান্য মানুহৰ তুলনাত নিজৰ কিছু ওজন বৃদ্ধি কৰিবলৈ সক্ষম হ'লেই সকলোবোৰ মানুহৰে আন্তৰিক ৰূপত সন্মানিত ব্যক্তি হৈ পৰাটো যথেষ্ট কঠিন যেন অনুভৱ হয়। অৱশ্য ইয়াৰ উপৰিও মানুহৰ যিকোনো দিশতেই নিজৰ অতীতৰ তুলনাত কিছু অধিক ওপৰলৈ উঠি যাবলৈ সক্ষম হয় তেন্তে বেচিভাগ মানুহে নিজৰ প্ৰকৃত অস্তিত্বৰ পৰা আঁতৰি আহি জোখতকৈ অধিক প্ৰাপ্তিৰ প্ৰতি অগ্ৰসৰ হোৱা দেখা যায়। অৰ্থাৎ মানুহে নিজ নিজ দিশত যিদৰে সফলতা অৰ্জন কৰিবলৈ সক্ষম হয় ঠিক সেইদৰে মান সন্মান প্ৰাপ্তিৰ প্ৰতি অধিক লালসা বৃদ্ধি পোৱা পৰিলক্ষিত হয়। আৰু যিবোৰ মানুহে এইবোৰ পৰিস্থিতিৰ পৰা নিজকে আঁতৰাই আনিবলৈ সক্ষম হয় তেওঁলোকেই হ'ল প্ৰকৃত অৰ্থত এজন সঁচা মানুহ।

# মৌনতা

**সত্যজিৎ গগৈ,কলিয়াবৰ**



সকলো টোপনি যোৱাৰ পিচত সিঁহত সাৰে ৰয়
বিচাৰি ফুৰে ৰাতিৰ আন্ধাৰ আৰু ওখ গছবোৰৰ ছাঁ
মৌনতা সিঁহতৰ প্ৰিয় শব্দ যদিও
জোনাকী পৰুৱাৰ দেশত হয় তন্দ্ৰাছন্ন চিঞৰৰ ধৰ্ণা
অট্টালিকাবোৰে হালি-জালি অপেক্ষা কৰে
সাৰে ৰোৱা সিঁহতৰ একান্ত সময়খিনিলৈ,
আঙুলিৰ মূৰত কোনোবাই গণি থাকে
কাৰোবাৰ জীৱনৰ শেষ নোহোৱা কথাবোৰ
তথাপি সিঁহতে সুখী হোৱা মানুহৰ অভিনয় কৰে
ভাল পায় নৈশব্দতা,
কোঠাৰ আঘাতত কান্দোনৰ ৰোল তোলা
শাৰী শাৰী বৃক্ষই চিঞৰিব নোৱাৰে আপোনাৰ দৰে
মৰা শ ৰ দৰে পৰি থাকি সিঁহতে গাব পাৰে প্ৰকৃতিৰ জয়গান
কাৰণ মৌনতা সিঁহতৰ প্ৰিয় শব্দ।

প্ৰথম পৃষ্ঠাৰ পৰা...

## পঞ্চম পৰ্যায়ৰ নিৰ্বাচনতে

কৈ শ্বৰিয়ত আইন আনিব বিচাৰে। আমি ভীমৰাও আম্বেদকাৰৰ সংবিধান পঢ়ো বাবে দেশত ইউচিচি প্ৰৱৰ্তন কৰিব বিচাৰোঁ। বেইছি, তেজস্বী যাদৱ, ৰাহুল গান্ধীৰ নাটক শেষ হৈ গ'ল। জম্মু-কাশ্মীৰৰ প্ৰসংগত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে জম্মু-কাশ্মীৰতো এইবাৰ ভাল ভোট হৈছে। পাক অধিকৃত কাশ্মীৰৰ মানুহেও নিৰন্তৰ কৈ আছে আমি ভাৰতৰ লগত থাকিব বিচাৰোঁ। ইপিনে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই পাটনাৰ ৰাজেন্দ্ৰ নগৰস্থিত সদ্যপ্ৰয়াত বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী সুশীল মোদীৰ বাসগৃহত উপস্থিত হৈ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰি শ্ৰদ্ধাঞ্জলি নিবেদন কৰাৰ লগতে তেওঁৰ সহধৰ্মিণী জেছি জাৰ্জ তথা শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কয় যে বিহাৰৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী সুশীল মোদীৰ সৈতে তেওঁ ঘনিষ্ঠভাৱে কাম কৰাৰ সুযোগ লাভ কৰিছিল। সকলোৰে মতামত শুনা কিন্তু নিজৰ নীতিৰ প্ৰতি উৎসৰ্গিত গৈ থকা আদি বহু কথা সুশীল মোদীৰ পৰা শিকাৰ সুযোগ লাভ কৰিছিল। সংগ্ৰাম আছিল সুশীল মোদীৰ ৰাজহুৱা জীৱনৰ এক গুৰুত্বপূৰ্ণ অংগ। জৰুৰীকালীন সময়ত তেওঁ গণতন্ত্ৰৰ বাবে যুঁজ দিছিল আৰু বিহাৰত যেতিয়া জংঘলৰাজৰ ডাৱৰে ছানি ধৰিছিল তেতিয়া তেওঁ সু-শাসনৰ বাবে বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিছিল। দীৰ্ঘদিনীয়া ৰাজনৈতিক জীৱনত তেওঁ সংগঠন আৰু চৰকাৰৰ সকলো দায়িত্ব সম্পূৰ্ণ নিষ্ঠা আৰু সমৰ্পিত মনোভাৱেৰে পালন কৰিছিল। সুশীল মোদীৰ বিয়োগ বিজেপি দলৰ লগতে বিহাৰ বিজেপিৰ বৃহৎ ক্ষতি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

## পশ্চিমবংগত বিজেপিৰ

মুখ্যমন্ত্ৰীৰ পত্নী সুনীতা কেজৰিৱাল, আপৰ মন্ত্ৰী অতিশীকে ধৰি দিল্লীৰ প্ৰাৰ্থীসকলে ভোটদান কৰে। ৫৪৩টা লোকসভা সমষ্টিৰ ভিতৰত ৬টা পৰ্যায়ত ৪৮৬টা সমষ্টিত ভোটগ্ৰহণ হৈ যায়। অহা ১ জুনত বাকী থকা ৫৭টা সমষ্টিত ভোটগ্ৰহণ হ'ব। উল্লেখ্য যে বিগত পাঁচটা পৰ্যায়ৰ দৰেই ষষ্ঠ পৰ্যায়তো পশ্চিমবংগত ভোটগ্ৰহণৰ সময়ত কেইবাটাও বিক্ষিপ্ত ঘটনা সংঘটিত হয়। পশ্চিমবংগৰ ঝাৰগ্ৰাম সমষ্টিৰ বিজেপি প্ৰাৰ্থী প্ৰাণ্ট টুডুক একাংশ লোকে আক্ৰমণ কৰে। পশ্চিম মেদিনীপুৰ গাৰবেটা অঞ্চলত বিজেপি কৰ্মীয়ে ভোটগ্ৰহণ কেন্দ্ৰত নিয়ম উলংঘা কৰা বুলি নিৰ্বাচন আয়োগক অভিযোগ দিবলৈ গৈ থাকোঁতে বিজেপি প্ৰাৰ্থী টুডুৰ কনভয়ত আক্ৰমণ চলোৱা হয়। এই আক্ৰমণত প্ৰাৰ্থীগৰাকীৰ ব্যক্তিগত নিৰাপত্তাৰক্ষী এজন আহত হৈ চিকিৎসালয়ত ভৰ্তি হ'বলগীয়া হৈছে। বিজেপিৰ প্ৰাৰ্থীগৰাকীৰ এই আক্ৰমণৰ লগত তৃণমূল কংগ্ৰেছ জড়িত বুলি অভিযোগ কৰিছে।

## বিদ্যুৎ সংকটৰ গ্ৰাসত অসম

আৱাৰ্হত বৃদ্ধি পাইছে। উল্লেখ্য যে শক্তি বিভাগৰ তথ্য মতে, নিজস্ব উৎসৰ পৰা বিদ্যুৎ উৎপাদন কৰিব পৰা ক্ষমতা হৈছে ৩৭৯.৭ মেগাৱাট। বিভাগৰ অধীনৰ অসম শক্তি উৎপাদন নিগম লিমিটেডৰ কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পত ১০০ মেগাৱাট, মিনট্ৰিয়াং ক্ষুদ্ৰ জলবিদ্যুৎ প্ৰকল্পত ৩ মেগাৱাট, নামৰূপ তাপবিদ্যুৎ প্ৰকল্পত ১১৯.৫ মেগাৱাট আৰু লাকুৱা তাপবিদ্যুৎ প্ৰকল্পত ১৫৭.২ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিব পৰা ক্ষমতা আছে। সূত্ৰটোৰে সদৰী কৰা মতে, বিভিন্ন কাৰিকৰী কাৰণত সৰ্বমুঠ উৎপাদন ক্ষমতাৰ পৰিৱৰ্তে কম পৰিমাণৰ বিদ্যুৎ শক্তিহে প্ৰকল্পকেইটাই নিজস্বভাৱে উৎপাদন কৰে। শেহতীয়াকৈ শক্তি বিভাগৰ নিজস্ব প্ৰকল্পকেইটাৰ পৰা ২৮০-৩০০ মেগাৱাট বিদ্যুতহে উৎপাদন হৈ আছে। কাৰিকৰী কাৰণত কেতিয়াবা উক্ত পৰিমাণতকৈও কম বিদ্যুৎ উৎপাদন হয়। শেহতীয়াকৈ বৰষুণৰ অভাৱত জলবিদ্যুৎ প্ৰকল্পকেইটাৰ পৰা যি পৰিমাণৰ বিদ্যুৎ উৎপাদন হ'ব লাগিছিল তাতকৈ যথেষ্ট কম পৰিমাণৰ বিদ্যুতহে উৎপাদন কৰিব পৰা গৈছে। যাৰ পৰিণতিত প্ৰায় ৮০ শতাংশ প্ৰয়োজনীয় বিদ্যুতৰ চাহিদা বাহিৰা উৎসৰ পৰা ক্ৰয় কৰি বিভাগে ৰাইজক দিবলগীয়া হৈছে। অৱশ্যে ইয়াৰ মাজতো ৰাজ্যিক অংশ অথবা আন কেন্দ্ৰীয় প্ৰকল্পৰ সৈতে থকা বুজাবুজি চুক্তিৰ আধাৰত কিছু পৰিমাণৰ বিদ্যুৎ অসমে ৰাজসাহায্য হিচাপে লাভ কৰে যদিও পৰিমাণত সেয়া নিচেই নগণ্য। সম্প্ৰতি ফাৰাক্কা, ত্ৰিপুৰাৰ পালাটনা, এনএইচপিচি অথবা নীপকোকে ধৰি বিভিন্ন কেন্দ্ৰীয় বিদ্যুৎ উৎপাদক সংস্থাৰ পৰা অসমে বিদ্যুৎ ক্ৰয় কৰি ঘাটি পূৰাবলগীয়া হৈছে। কিন্তু শেহতীয়াকৈ অকল অসমতেই নহয়, দেশজুৰি প্ৰচণ্ড গ্ৰীষ্মপ্ৰবাহ অব্যাহত থকাৰ পৰিপ্ৰেক্ষিতত দেশৰ বিভিন্ন ৰাজ্যত বিদ্যুতৰ চাহিদা বৃদ্ধি পাইছে। বিশেষকৈ মুম্বাই, কলকাতা, দিল্লী, উত্তৰ প্ৰদেশকে ধৰি কেতবোৰ বৃহৎ ৰাজ্যত বিদ্যুতৰ চাহিদা ইমানেই বৃদ্ধি পাইছে যে অসমে পইচা দিও বিদ্যুৎ ক্ৰয় কৰিবলৈ সুবিধা নোপোৱা হৈছে। মন কৰিবলগীয়া যে শক্তি বিভাগৰ বিদ্যুতৰ এই নাটনিৰ জোৰা মাৰিবলৈ চেষ্টা অব্যাহত থকাৰ সময়তে ৰাজ্যজুৰি বিভিন্ন প্ৰান্তত সঘনাই হোৱা লোডশ্বেডিঙৰ বাবে ৰাইজ অতিষ্ঠ হৈ পৰিছে। উৎকট গৰমৰ পৰা পৰিত্ৰাণ পাবলৈ ৰাইজে ফেন অথবা শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ ক্ৰয় কৰিছে। কিন্তু ক্ৰয় কৰাৰ পাছত যন্ত্ৰ চলাবলৈ প্ৰয়োজনীয় বিদ্যুৎ নাপাই ক্ষুব্ধ হৈও পৰিছে। বিভাগীয় সূত্ৰটোৰ মতে, ৰাইজে সন্মুখীন হোৱা এই দুৰৱস্থা শক্তি বিভাগে গুৰুত্বসহকাৰে গ্ৰহণ কৰি সমস্যা সমাধানৰ বাবে চেষ্টা অব্যাহত ৰাখিছে। কিন্তু বহিঃউৎসৰ পৰা বিদ্যুৎ ক্ৰয় কৰিবলৈ গৈ একে সময়তে শক্তি বিভাগে যথেষ্ট আৰ্থিক সংকটৰো সন্মুখীন হৈছে। এই সন্দৰ্ভত ৰাজ্য চৰকাৰলৈ প্ৰতিবেদন শক্তি বিভাগে প্ৰেৰণ কৰিছে।

চাৰি পৃষ্ঠাৰ পৰা...

## সম্প্ৰীতি কল্যাণ ফাউণ্ডেচন

এক শৃঙ্খলিত ব্যৱস্থাৰ মাজেৰে অনুশীলন আৰু পৰিৱেশন কৰাৰ মতপোষণ কৰে। অনুষ্ঠানত ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সভাপতি যোগাচাৰ্য শুভাশীষ, সম্প্ৰীতি কল্যাণ ফাউণ্ডেচনৰ উপদেষ্টা ডঃ চয়নিকা শৰ্মা, ডঃ অঞ্জন ঠাকুৰ আৰু পূৰ্বাঞ্চল মহিলা যোগ ফাউণ্ডেচনৰ সভানেত্ৰী সিক্তা দেৱ ক'ৰ উপস্থিত থাকি বক্তব্য প্ৰদান কৰে। সাংস্কৃতিক সংগঠক ধনঞ্জয় তালুকদাৰে সঞ্চালনা কৰা প্ৰীতি সন্মিলনত উদ্দেশ্য ব্যাখ্যা আগবঢ়াই ফাউণ্ডেচনৰ সভানেত্ৰী জেফৰিন হাজৰিকাই। প্ৰীতি সন্মিলনত আলমি হাজৰিকা, সুৰুয মণি হাজৰিকা আৰু ৰেণুকা বসুমতাৰীৰ সুমধুৰ সংগীতে উপস্থিত সকলোকে আপ্লুত কৰে। জোনাক হাজৰিকাৰ কথক নৃত্যৰ আধাৰত সৃষ্টিশীল নৃত্য, অনিকেত দাস আৰু আফ্ৰিন বেগমৰ সৃষ্টিশীল নৃত্য, কণমানি মধুৰপ্ৰীত হাজৰিকাৰ গীতাৰত বিষ্ণু ৰাভা সংগীতৰ সুৰ পৰিৱেশন, সম্প্ৰীতি চায়া হাজৰিকাৰ কী-ব'ৰ্ডত ডঃ ভূপেন হাজৰিকাৰ দিল হুম হুম কৰে গীতৰ মূৰ্চ্ছনা পৰিৱেশন, মাছুদ নিছাদৰ আধুনিক নৃত্য আৰু ময়ুৰম গগৈৰ ঢোল বাদন আৰু প্ৰতীক দাসৰ তাল বাদনে উপস্থিত সকলোকে মন্ত্ৰমুগ্ধ কৰে। উদ্যোক্তা অনুষ্ঠানৰ জয়া দাস, ধনিকা বৰুৱা, চন্দশিখা বৰুৱা, ৰশ্মি শইকীয়া, অনুৰাধা দাস, নিকিতা দাস, জেফ্ৰিন হাজৰিকা, মানসী ভট্টাচাৰ্য আৰু অৰ্চনা দাসে পৰিৱেশন কৰা সমবেত গীত আৰু দলীয় বিহু নৃত্যৰ লগতে মাম্পি দাসৰ সুমধুৰ সংগীতে অনুষ্ঠানটো আকৰ্ষণীয় কৰি তোলে। অনুষ্ঠানৰ শেষত সম্পাদক অৰূপ ডেকাই প্ৰীতি সন্মিলনৰ সফল সামৰণিৰ বাবে উপস্থিত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰে। অসম সংগীতেৰে প্ৰীতি সন্মিলনৰ সামৰণি পৰে।

দুই পৃষ্ঠাৰ পৰা...

## গুৱাহাটীৰ মাজমজিয়াত

গৃহলৈ লৈ যায় পৰিয়ালে। তাতে আন আত্মীয়সকলক পিছল খাই পৰি ভৱত দাসৰ মৃত্যু হোৱা বুলি পুত্ৰ জোন দাসে জনায়। আত্মীয়-স্বজনে গোৰেশ্বৰতে ভৱত দাসৰ শেষকৃত্য সম্পন্ন কৰে। শেষকৃত্য সম্পন্ন হোৱাৰ পাচতে জোন দাসে পিতৃৰ পৰিয়ালবৰ্গক আচল ঘটনাটো কয়। জোন দাসৰ মুখৰ পৰা শুনা ভয়াৱহ সত্যত আতংকিত হৈ পৰা আত্মীয়-স্বজনে লগে লগে ঘটনাটো সন্দৰ্ভত আৰক্ষীক অৱগত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেইমৰ্মে বৃহস্পতিবাৰে বাইহাটা আৰক্ষী থানাক বিষয়টো অৱগত কৰাৰ লগতে হত্যাকাৰী পুত্ৰ জোন দাসক আৰক্ষীক গতাই দিয়ে। যিহেতু ঘটনাটো জাপৰিগোগত সংঘটিত হৈছিল গতিকে গোচৰটো আৰক্ষীয়ে লগে লগে দিছপুৰ থানালৈ হস্তান্তৰ কৰে। সেইমৰ্মে দিছপুৰ থানাই জোন দাসক গ্ৰেপ্তাৰ কৰে। আৰক্ষীৰ জেৰাত জোন দাসে নিজৰ সকলো অপৰাধ স্বীকাৰ কৰাৰ লগতে পাৰিবাৰিক অশান্তিৰ পৰিণতিতেই আপোন পিতৃক হত্যা কৰে বুলি আৰক্ষীক স্বীকাৰোক্তি দিয়ে। দিছপুৰ আৰক্ষীয়ে এই সন্দৰ্ভত এটা গোচৰ ৰুজু কৰি জোন দাসক কাৰাগাৰলৈ প্ৰেৰণ কৰে। লক্ষণীয় যে মহানগৰীৰ এটা গাড়ী শ্ব'ৰুমত কাম কৰা জোন দাসে সময়ে সময়ে জমেট'ত ডেলিভাৰী বয় হিচাপেও কাম কৰি নিজৰ খৰচ উলিয়াই আছিল।

## শুৱালকুছি তাত শিল্প

সহায় সহযোগিতাৰ বাবে এই সংবাদ মেল। পাত সূতা আৰু গুণা আদি অসমৰ বাহিৰৰ পৰা আনিব লগীয়া হয়। বৰ্তমান যি মূল্যবৃদ্ধি তাৰ বাবে শিল্পটো ৰুগ্ন হৈ পৰিছে। স্থানীয় কেঁচা সামগ্ৰীৰ যোগানত চৰকাৰৰ গুৰুত্ব নোহোৱাৰ কাৰণে আজিৰ এই দুৰৱস্থা। শুৱালকুছিৰ শিপিনী সকলক সকাহ দিয়াৰ বাবে চৰকাৰে এটি সূতা ভঁৰাল স্থাপন কৰিছিল যদিও বৰ্তমান সেইটো মৃতপ্ৰায়। তেওঁলোকৰ আহ্বান এই ভঁৰালটো পৰিচালনাৰ দায়িত্ব তাত শিল্প উন্নয়ন সমিতিক অৰ্পন কৰিব লাগে। দ্বিতীয়তে শিল্পটোক সুৰক্ষা দিয়া আইন খনে শিল্পটোক প্ৰকৃতাৰ্থত সুৰক্ষা দিব পৰা নাই। বিদ্যুৎ চালিত শালত উৎপাদন কৰিলে যি শাস্তিৰ বিধান থাকিব লাগিছিল সেইবোৰ নথকা বাবে বিভিন্ন নিম্ন মানৰ সূতাৰে কাপোৰ বৈ বজাৰত বিক্ৰী কৰি অসমীয়া গ্ৰাহকক ঠগী আহাৰ লগতে শিপিনী সকলক অৰ্থনৈতিকভাৱে পংগু কৰি পেলাইছে বুলি মন্তব্য কৰে। তেওঁলোকে সংবাদ মেলত ছয় টা কাৰণ সন্নিবিষ্ট কৰি প্ৰেছ বিজ্ঞপ্তি প্ৰকাশ কৰে। সংবাদ মেলত সমিতিৰ সভাপতি ডঃ নিহাৰ ৰঞ্জন কলিতা, সাধাৰণ সম্পাদক বলেন দাস, সম্পাদক কৰ্ণ বৰুৱা, কাৰ্যকৰী সম্পাদিকা দিপালী কলিতা, বিত্ত সম্পাদক প্ৰহ্লাদ কুমাৰ বৈশ্য, প্ৰতিষ্ঠাপক সম্পাদক বিপুল চন্দ্ৰ বৈশ্যকে আদি কৰি কেইবাজনো লোক উপস্থিত থাকে।

তিনি পৃষ্ঠাৰ পৰা...

## চচল শাখা লেখিকা

সকলোকে মন্ত্ৰমুগ্ধ কৰে। সভাত চচল শাখাৰ সদস্যা সকলে-ক্ৰমে চিত্ৰা দাস, অলকানন্দা মহন্ত, মালা শৰ্মা, বাণী বৰুৱা, লনী দত্ত, নীলিমা গোস্বামী শৰ্মা, মঞ্জু দাস, ডঃ মঞ্জুলা হুচেইনে অপৰ্ণা শইকীয়া আৰু শান্তনা দাস বৰ্মনে যুগুত কৰা এখনি সংগীতালেখ্য 'ঐতিহ্যপূৰ্ণ অসমৰ লোকগীতৰ কলৰৱ' পৰিৱেশণ কৰে। সভাত কবি নীলিম কুমাৰৰ সহধৰ্মিনী পুষ্পাঞ্জলি গোস্বামীয়ে কবি গৰাকীৰ এটি কবিতা আবৃত্তি কৰি সমজুৱাক মুগ্ধ কৰে। সভাত শাখাৰ সদস্যা জেছমিনা ইছলাম আৰু মণিদীপা ভট্টাচাৰ্য্যই চমু বক্তব্য প্ৰদান কৰে। সভাৰ অন্তত শাখাৰ সহ-সম্পাদিকা শান্তনা দাস বৰ্মনে শলাগৰ শৰাই আগবঢ়ায়। অসম সংগীতেৰে সভাৰ সামৰণি পৰে ।

# ENGLISH NEWS SECTION

## INDOFIL INDUSTRY LIMITED observes World Tea Day



Guwahati, RB News- World Tea Day was observed on May 21, a day-long programme at Panitola by Indofil Industries Limited with a view to empower small tea growers . For this purpose, about 50 small tea growers were discussed in detail about the diseases that occurs in tea cultivation and the various types of pests that can harm it as well as the precautions to be taken in its prevention. Detailed discussion was held on newly developed Indofil Acaricide "CEASEMITE "which is PPC approved especially against Red Spider mite. The day is observed to create awareness among tea growers for the use of approved medicines for tea safety. The meeting was attended by Zonal Demand Generation Manager, Indofil Industries Limited, Srijanshil Chowdhury, Regional Demand Generation Manager, Pallav Bhagawati, Territory Manager, Nafisa Nasrin Mazid and Demand Generation Officer, Bipul Gupta.

## PV Sindhu storms into Malaysia Masters final



RB News-Indian shuttler and two-time Olympic medalist PV Sindhu reached the Malaysia Masters final by beating Thailand's Busanan Ongbamrungphan by 13-21, 21-16, 21-12. This is her first final since the 2023 Spain Masters. She will face China's Wang Zhiyi on Sunday. Earlier, Indian women's doubles pairs faced tough losses.

## Indian film wins Cannes' La Cinef award for best short



RB News-Chidananda S Naik's short film, Sunflowers Were the First Ones to Know, has won the first prize in the La Cinef category for Best Short at the Cannes Film Festival. This significant achievement brings attention to a 16-minute short film based on popular Kannada folklore about an elderly woman who steals a rooster, causing the sun to not rise.

## Athlete Preethi Pal secures her spot at Paralympics



RB News-Preethi Pal, hailing from Uttar Pradesh, has soared to new heights at the ongoing World Para Athletics Championships in Kobe, Japan. Despite facing daunting challenges, the 23-year-old athlete clinched the bronze medal in the women's T35 200m event, etching her name in the history of sporting glory. With her stellar performance, she earned a coveted quota for the Paris Paralympics.

## Anasuya becomes first Indian to win best actress at Cannes



RB News-Anasuya Sengupta made history as the first Indian to win Best Actress award at Cannes for her role in 'The Shameless'. Directed by Konstantin Bojanov, the film follows Renuka, who escapes a brothel after killing a cop. This year's festival also saw Indian films 'Sunflowers Were the First Ones to Know' and 'Bunnyhood' win in the La Cinef Selection.

## Barcelona sack head coach Xavi Hernandez



RB News-Barcelona sacked coach Xavi Hernandez after a trophy-less season. President Joan Laporta told Xavi he wouldn't continue for the 2024-25 season. Despite agreeing to stay until June 2025, tensions rose after Xavi's comments on the club's financial struggles. Hansi Flick is a likely replacement. Barcelona has praised Xavi's work and will announce a new coaching structure soon.

## Indian women's compound team win gold at Yecheon Archery World Cup



RB News-The Indian women's compound team continued dominating the Archery World Cup series as they clinched their sixth consecutive gold in international circuit at Yecheon, South Korea on Saturday. This is also the third consecutive World Cup title for the women's team of Jyothi Surekha Vennam, Parneet Kaur, and Aditi Gopichand Swami. Jyothi, later, combined with Priyansh for mixed team silver.

# কলকাতা নাইট ৰাইডাৰ্ছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদৰ মাজত আজি ফাইনেল

ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰায় দুমাহ ধৰি চলা ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডৰ ঐশ্বৰ্যশালী -২০ ক্ৰিকেট প্ৰতিযোগিতা ইণ্ডিয়ান প্ৰিমিয়াৰ লীগৰ সপ্তদশ সংস্কৰণৰ আজি শ্ৰেষ্ঠতাৰ যুঁজ। চেন্নাইত আজি নিশা ৭.৩০ বজাৰ পৰা অনুষ্ঠিত হ'বলগীয়া খিতাপ যুঁজৰ মেচখনত অৱতীৰ্ণ হ'ব দুই প্ৰাক্তন চেম্পিয়ন কলকাতা নাইট ৰাইডাৰ্ছ আৰু ছানৰাইজাৰ্ছ হায়দৰাবাদ। আজি ফাইনেল মেচখন তীব্ৰ প্ৰতিদ্বন্দ্বিতামূলক হৈ উঠাটো নিশ্চিত। কাৰণ শ্ৰেষ্ঠ দল হিচাপে দুয়োটা দলে ফাইনেলত পদাৰ্পণ কৰিছে। চলিত প্ৰতিযোগিতাখনত ইটোৰ পিছত সিটো অভিলেখ গঢ়া ছানৰাইজাৰ্ছে ফাইনেলতো দুৰ্দান্ত প্ৰদৰ্শন কৰাৰ লক্ষ্য লৈছে। অৱশ্যে প্ৰতিদ্বন্দ্বী নাইট ৰাইডাৰ্ছো সমানে শক্তিশালী। বেটিং-বলিং উভয়তে কলকাতাই দুৰ্দান্ত প্ৰদৰ্শন দাঙি খিতাপ যুঁজলৈ উন্নীত হৈছে। ছানৰাইজাৰ্ছে কলকাতাৰ বিৰুদ্ধে প্ৰতিশোধ লোৱাৰ সুবৰ্ণ সুযোগ লাভ কৰিছে। কাৰণ প্ৰথমখন কোৱালিফায়াৰত কলকাতাৰ হাতত পৰাস্ত হৈছিল হায়দৰাবাদ। কাইলৈ সুদীৰ্ঘ ১০ বছৰীয়া অপেক্ষাৰ অন্ত পেলোৱাৰ বাবে সাজু হৈছে শ্ৰেয়াছ আয়াৰ নেতৃত্বাধীন কলকাতাই। ২০১২ চনত প্ৰতিযোগিতাখনৰ প্ৰথমবাৰ



খিতাপ জয় কৰা নাইট ৰাইডাৰ্ছে ২০১৪ চনত অন্তিমবাৰ চেম্পিয়ন হৈছিল। ফাইনেলৰ পূৰ্বে আয়োজিত এক সংবাদ মেল সম্বোধন কৰি কলকাতাৰ অধিনায়ক শ্ৰেয়াছ আয়াৰে কয় যে নিঃসন্দেহে খিতাপ যুঁজৰ মেচখন কঠিন হ'ব। কাৰণ ছানৰাইজাৰ্ছ হায়দৰাবাদ এটা শক্তিশালী দল। প্ৰতিযোগিতাখনত ইতিমধ্যে দলটোৱে কেইবাবাৰো বৃহৎ স্ক'ৰ সংগ্ৰহ কৰি অভিলেখ ৰচিছে। গতিকে আমি বিশেষ ৰণনীতিৰে মেচখনত অৱতীৰ্ণ হ'ব লাগিব। বিপক্ষৰ প্ৰতিজন খেলুৱৈৰ বাবে আমি বিশেষ ৰণনীতি প্ৰস্তুত কৰিছোঁ। চেম্পিয়ন হ'বলৈ হ'লে আমাৰ প্ৰতিজন খেলুৱৈয়ে উন্নত প্ৰদৰ্শন দাঙি ধৰিব লাগিব। আৰম্ভণিৰ পৰাই আমি আক্ৰমণাত্মক খেল দাঙি ধৰি বিপক্ষক চাপত ৰখাৰ চেষ্টা কৰিম। আশা কৰিছোঁ আমাৰ ৰণনীতি ফলপ্ৰসূ হ'ব আৰু ১০ বছৰীয়া অপেক্ষাৰ অন্ত পেলাই চেম্পিয়নৰ সন্মান আঁজুৰি আনিবলৈ সক্ষম হ'ম। উল্লেখ্য যে যোৱাকালি চেন্নাইত হোৱা পাতলীয়া বৰষুণৰ বাবে কলকাতাই অনুশীলন কৰাৰ পৰা বিৰত থাকে। ছানৰাইজাৰ্ছ হায়দৰাবাদে ২০১৬ চনত চেম্পিয়নৰ সন্মান লাভ কৰিছিল।

# কোৱালিফায়াৰত পৰাস্ত হ'ল ৰাজস্থান ৰয়েলছ



ৰঙিলী বাৰ্ত্তাসেৱা- আইপিএলৰ দ্বিতীয়খন কোৱালিফায়াৰত ৰাজস্থান ৰয়েলছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ হাতত ৩৬ ৰানত পৰাস্ত হয়। মেচখনত বিজয় সাব্যস্ত কৰা হায়দৰাবাদে দেওবাৰে হ'বলগা ফাইনেলত কলকাতা নাইট ৰাইডাৰ্ছৰে মুখামুখি হ'ব। মেচখনত ছানৰাইজাৰ্ছে জয়ৰ বাবে বান্ধি দিয়া ১৭৬ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি শ্বাহবাজ আহমেদ আৰু অভিষেক শৰ্মাৰ দৰ্শনীয় বলিঙৰ সন্মুখত ৰাজস্থানে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৩৯ ৰান কৰে। যশস্বী জয়ছোৱাল আৰু ধ্ৰুৱ জুৰেলৰ বাহিৰে কোনো এজন বেটাৰে ক্ৰিজত অধিক সময় তিষ্ঠিব নোৱাৰিলে। জয়ছোৱালে ৪২ আৰু জুৰেলে অপৰাজিতভাৱে ৫৬ ৰান কৰে। মেচখনত ৰিয়ান পৰাগ সম্পূৰ্ণৰূপে ব্যৰ্থ হয়। মাত্ৰ ৬ ৰান কৰি বিদায় লয় ৰিয়ানে। ইফালে অধিনায়ক সঞ্জু ছেমছনে ১০, অশ্বিনে ০, হেটমায়েৰে ৪ আৰু পাৱেলে ৬ ৰান কৰে। ছানৰাইজাৰ্ছৰ হৈ শ্বাহবাজে তিনিটা আৰু অভিষেকে দুটা উইকেট লয়। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি হেনৰিচ ক্লাছেনৰ দৰ্শনীয় অৰ্ধশতকৰ সহায়ত ছানৰাইজাৰ্ছ হায়দৰাবাদে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৭৫ ৰান সংগ্ৰহ কৰে। দলীয় স্ক'ৰ ১৩ ৰানত অভিষেক বাৰ্মাই ১২ ৰান কৰি বিদায় লয়। অৱশ্যে অ'পেনাৰ ট্ৰেভিছ হেডে ৰাহুল ত্ৰিপাঠীৰ সৈতে দ্বিতীয় উইকেটত ৪২ ৰান সংগ্ৰহ কৰি দলৰ বিপৰ্যয় কিছু ৰোধ কৰে। ৰাহুলে ১৫টা বলত পাঁচটা চাৰি আৰু দুটা ছয়েৰে ৩৭ ৰান কৰি বিদায় লয়। ৰাহুল আউট হোৱাৰ খন্তেক পিছতে মাৰ্কৰামেও ১ ৰান কৰিবিদায় লয়। ক্লাছেনে দৰ্শনীয় বেটিং দাঙি ধৰি ৩৪টা বলত ৪টা ছয়েৰে ৫০ ৰানৰ অৱিহণা আগবঢ়ায়। নীতিশ কুমাৰ ৰেড্ডীয়ে ৫, ছামাদে ০ আৰু শ্বাহবাজ আহমেদে ১৮ ৰান কৰে। ৰাজস্থানৰ হৈ ট্ৰেন্ট ব'ল্ট আৰু আভেছ খান উভয়ে সৰ্বাধিক তিনিটাকৈ উইকেট লাভ কৰে।

# এলিমিনেটৰত পৰাস্ত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু



ৰঙিলী বাৰ্ত্তাসেৱা- পুনৰ আইপিএলত ব্যৰ্থ হ'ল ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু। চেন্নাই ছুপাৰ কিংছক হৰুৱাই প্লে'অফত স্থান নিশ্চিত কৰিলেও এলিমিনেটৰত ৰাজস্থান ৰয়েলছৰ বিৰুদ্ধে পৰাজিত হৈ বিদায় লয় বেংগালুৰুৱে। ইয়াৰ লগে লগে আৰচিবিয়ে গঢ়িলে এক অভিলেখ। প্লে'অফত আটাইতকৈ বেছি মেচত পৰাজিত হোৱাৰ তালিকাত সকলোৰে ওপৰত আছে বেংগালুৰুৰ নাম। ২০০৮ চনৰ পৰা আইপিএলত প্ৰতিদ্বন্দ্বিতা কৰিছে দলটোৱে। ২০০৮ চনৰ পৰা খেলা দলটোৱে এইপৰ্যন্ত প্লে'অফত ১৬খন মেচ খেলিছে আৰু ১০খন মেচতেই পৰাজিত হৈছে দলটো। আহমেদাবাদত অনুষ্ঠিত হোৱা এলিমিনেটৰ মেচখনত ৰাজস্থানে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৪ উইকেটত পৰাস্ত কৰে। মেচখনত আৰচিবিয়ে জয়ৰ বাবে বান্ধি দিয়া ১৭৩ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অ'পেনাৰ যশস্বী জয়ছোৱালৰ দৰ্শনীয় ৪৫ আৰু ৰিয়ান পৰাগৰ চমকপ্ৰদ ৩৬ ৰানৰ সহায়ত ৰাজস্থানে ১৯ অভাৰত ৬টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ছিমৰন হেটমায়েৰে ১৪ বলত ২৬ ৰান আৰু ৰ'ভমান পাৱেলে ৮টা বলত অপৰাজিতভাৱে ১৬ ৰান কৰে। আৰচিবিৰ হৈ মহম্মদ ছিৰাজে সৰ্বাধিক দুটা উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৭২ ৰান সংগ্ৰহ কৰে। ৰজত পাটিদাৰে সৰ্বাধিক ৩৪ ৰান কৰাৰ লগতে বিৰাট কোহলিয়ে ৩৩ আৰু মহিপাল ল'মৰ'ৰে ৩২ ৰানৰ অৱদান আগবঢ়ায়। ৰাজস্থানৰ হৈ আভেছ খানে সৰ্বাধিক তিনিটা উইকেট লয়।

# বাংলাদেশক ৬ ৰানত পৰাস্ত কৰে আমেৰিকাই



ৰঙিলী বাৰ্ত্তাসেৱা- বাংলাদেশৰ বিপক্ষে খেলি থকা তিনিখনীয়া টি-২০ মেচৰ শৃংখলাটো ২-০ৰ অগ্ৰগতি দখল কৰি ইতিহাস ৰচিলে আমেৰিকাই। ডালাছত অনুষ্ঠিত দ্বিতীয়খন মেচত ঘৰুৱা দল আমেৰিকাই বাংলাদেশক ৬ ৰানত পৰাস্ত কৰে। আন্তৰ্জাতিক ক্ৰিকেটত অভিষেক ঘটাৰ পিছত আমেৰিকাৰ এয়া, আছিল প্ৰথমটো শৃংখলা জয়। মেচখনত আমেৰিকাৰ জয়ৰ মূলতে হ'ল আলী খানৰ দুৰ্দান্ত বলিং প্ৰদৰ্শন। আমেৰিকাই জয়ৰ বাবে বান্ধি দিয়া ১৪৫ৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি আলী খানৰ দুৰ্দান্ত বলিঙৰ সন্মুখত বাংলাদেশে ১৯.৩ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৩৮ ৰানহে কৰিবলৈ সক্ষম হয়। অধিনায়ক নাজমুল হুছেইন ছাণ্টোৱে সৰ্বাধিক ৩৬, ছাকিব আল হাছানে ৩০ আৰু তৌহিদ হৃদয়ে ২৫ ৰান কৰে। আমেৰিকাৰ হৈ আলী খানে সৰ্বাধিক তিনিটা উইকেট লাভ কৰি মেচখনত শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰিবলৈ আহি অধিনায়ক মনাংক পেটেলৰ ৪২, আৰ'ন জ'নছৰ ৩৫ আৰু ষ্টিভেন টেইলৰৰ ৩১ ৰানৰ সহায়ত আমেৰিকাই নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৪৪ ৰান কৰে।

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ মহেশ চন্দ্ৰ মেধি মুখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286